# CONTENTS

## BUDGET SESSION

### Volume—II

### No. 23

### Dated, The 12th July 1972


| | | | Page |
|---|---|---|---|
| 1. Questions and Answers | .... | ... | 1 -27 |
| 2. Calling Attention | ... | .... | 27—31 |
| 3. Statement made by the Minister | ... | .... | 31—36 |
| 4. Government Bill | ... | .... | 36 43 |
| 5. Presentation of financial Statement Report and Rules | | .... | 43 |
| 6. Discussion Under Rule 49 | ... | .... | 44—49 |
| 7. Discussion Under Rule 50 | | ... | 49—97 |
| 8. Adjournment | ... | ... | 97 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

Wednesday, July 12, 1972

The House met at 10 A.M in the Assembly Chamber, Shillong with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

### বিষয় ঃ অসমীয়া ছবি প্ৰদৰ্শন

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মাই সুধিছে :

* ২৬২। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) বাধ্যতামূলকভাৱে অসমীয়া ছবি প্ৰদৰ্শন কৰাৰ কিবা আদেশ চৰকাৰৰ তৰফৰ পৰা অসমৰ ছবিঘৰসমূহক দিয়া হৈছে নেকি ?

(খ) যদি এনে আদেশ বলৱৎ আছে, তেনেস্থলত ছবিঘৰসমূহে সেই কথা মানি চলিছে নে নাই তাৰ লক্ষ্য ৰাখিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কেৱল মাথো অসমীয়া ছবিকেই বাধ্যতামূলকভাৱে প্ৰেক্ষাগৃহসমূহত প্ৰদৰ্শন কৰিবলৈ নিৰ্দেশ দিয়া হোৱা নাই। অসমৰ ব্যৱস্থাপকে ব্যৱস্থাপনা কৰা আৰু অসমৰ পটভূমিত ব্যৱস্থাপনা কৰা কথাছবিসমূহ অসমৰ প্ৰেক্ষাগৃহবিলাকত বছৰৰ অন্ততঃ ২৮ (আঠাইশ) দিন প্ৰদৰ্শন কৰিবলৈ অনুজ্ঞা মঞ্জুৰ কৰোতে অতিৰিক্ত স্বৰ্ত্ত হিচাবে আৰোপ কৰিবলৈ জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে।

(খ) জিলা উপায়ুক্তসকলেই পোনপটীয়াকৈ নিজৰ জিলা শাসনাধিকাৰ ক্ষেত্ৰত থকা প্ৰেক্ষাগৃহবিলাকৰ ওপৰতো প্ৰশাসন ক্ষমতা প্ৰয়োগ কৰিব পাৰে আৰু সেয়ে এই বিষয়াসকলৰ ওপৰতেই এই বিষয়ে লক্ষ্য ৰখাৰ দায়িত্ব পৰিছে।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা ঃ এইটো চৰ্ত্ত পালন নকৰিলে তাৰ ওপৰত কি ব্যৱস্থা লব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) ঃ এইটো যদি পালন নকৰে তেনেহলে লাইচেন্সৰ চৰ্ত্ত ভঙ্গ হব। এই চৰ্ত্ত ভঙ্গ কৰিলে আমি লাইচেন্স নিদিবও পাৰো। বা লাইচেন্স কাটি দিব পাৰো।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা : লাইচেন্স দিওতে এনেকুৱা ধৰণৰ কিবা কনদিচন দিয়াৰ ব্যৱস্থা আছেনেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : হয়, কনদিচন দিয়া হয় ।

শ্ৰীবিজয় কৃষ্ণ সন্ধিকৈ : এই লাইচেন্স দিওতে যি বিলাক চৰ্ত্ত দিয়া হয় এইবিলাক মানি চলিছেনে নাই এই বিলাক কোনে চায় ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : এইবিলাক জিলাৰ উপায়ুক্তই চায় ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : এই নিৰ্দ্দেশ থকা স্বত্বেও কিছুমান ছবি ঘৰে এই চৰ্ত্ত বিলাক মানি নচলে এই কথা জানেনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : আমি জনাত এই বিলাক নিৰ্দ্দেশ মানি চলিছে । কিন্তু কৰবাত কোনোবাই ভঙ্গ কৰিলে তাৰ কিবা অভিযোগ পালে ব্যৱস্থা লোৱা হ'ব ।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী : এই নিৰ্দ্দেশ ভঙ্গ কৰা কোনোবা ছবি ঘৰৰ ওপৰত কিবা শাস্তিমূলক ব্যৱস্থা লোৱাৰ কথা কব পাৰেনে কি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) : আমি তেনেকুৱা অভিযোগ পোৱা নাই কাৰণেই কোনো শাস্তিমূলক ব্যৱস্থা লোৱা নাই ।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা : এই চৰ্ত্ত সকলোবিলাক জিলাতে প্ৰবৰ্ত্তন কৰা হৈছেনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : হয়, সকলো বিলাক জিলাতে কৰা হৈছে ।

শ্ৰীশান্তি ৰঞ্জন দাস গুপ্ত : এতিয়ালৈকে কিমান অসমীয়া কথা ছবি আছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ : এইটো কোৱা টান ।

শ্ৰীশুভংকৰ সিংহা : অসমত কথা ছবি প্ৰদৰ্শণৰ কাৰণে যি বিলাক নিৰ্দ্দেশ দিয়া হৈছে সেই নিৰ্দ্দেশ কাছাৰ জিলাত প্ৰয়োগ কৰা হৈছেনে নাই ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : প্ৰশ্নকাৰকে প্ৰশ্নটো বুজাত অলপ ভুল কৰিছে । অসমৰ ব্যৱস্থাপকে ব্যৱস্থাপনা কৰা কথা ছবি ক্ষেত্ৰত এইটো প্ৰয়োগ কৰা হয় । এইটো কাছাৰ জিলাটো প্ৰযোজ্য হব ।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : মই জানিব খুজিছোঁ যে ইষ্টাৰ্ন মেচন পিকচাৰচ এচোচিয়েচনৰ লগত এই সম্পৰ্কত কিবা সহযোগিতা বিচৰা হৈছিলনেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : এই ক্ষেত্ৰত ইষ্টাৰ্ন মেচন পিকচাৰচ এচোচিয়েচনৰ লগত সহযোগিতা বিচৰাৰ কথা নুঠে । কিয়নো লাইচেন্সৰ কাৰণে পেক্ষা গৃহৰ গৰাকী বিলাক আমাৰ ওচৰলৈ আহে আৰু তেতিয়া লাইচেন্স দিওতে

এই চৰ্ত্ত বিলাক আৰোপ কৰি দিয়া হয়। গতিকে ইষ্টাৰ্ন মেচন পিকচাৰচ এচোচিয়েচনৰ লগত আমাৰ কোনো সম্পৰ্ক নাই।

শ্ৰীনগেন বৰুৱা : অসমত কিমান কথা ছবি ঘৰ আছে।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী) : ১২৫ টা স্থায়ী কথা ছবি ঘৰ আছে আৰু তাৰ বাহিৰেও কিছুমান মোবাইল ধৰণৰ প্ৰেক্ষা গৃহৰ ব্যৱস্থা আছে।

শ্ৰীখিৰোদ শইকীয়া : চৰকাৰৰ প্ৰেক্ষা গৃহৰ কাৰণে লাইচেন্স দিয়াৰ ক্ষমতা আছে আৰু সেই ধৰনেৰে সেই লাইচেন্স নাকচ কৰাৰ ক্ষমতাও আছে। যদি কোনোবা প্ৰেক্ষা গৃহৰ মালিকে এই চৰ্ত্ত মানি নচলে তেন্তে তাক চৰকাৰে কি ব্যৱস্থা কৰিব ?

মাননীয় অধ্যক্ষ : এইটোৰ উত্তৰ দিয়া হৈ গৈছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে অসমত প্ৰযোজনা কৰা ছবিৰ ক্ষেত্ৰত এই চৰ্ত্ত খাটিব। কিন্তু আমি জনামতে অলপতে বোম্বাইৰ পৰা দেবানন্দ, শৰ্মিলা তেগুৰ আদি আহি অসমত ছবি লৈ গৈছে। সেই ক্ষেত্ৰত এই চৰ্ত্ত বিলাক খাটিবনে ?

(উত্তৰ নাই)

### Re : Production of Assamese Films

Shri Bijoy Krishna Handique asked :

*263. Will the Chief Minister be pleased to state :

(a) What steps Government proposes to take to protect Assamese films against the pressure tacties of big exhibition and distribution in the form of 'hold over' and 'House protection money' ?

(b) What steps Government proposes to take for compulsory screening of Assamese films in the show houses of Assam ?

(c) Whether any film producers from outside Assam have received Government aid in the form of refund of entertainment tax ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

(a) Difficulties faced by the films produced in Assam in matter of screening have been brought to the notice of

the Government. Government is considering how best to assist the film industry in the matter of production, distribution and exhibition so that all the difficulties may be obviated.

(b) A condition has been imposed on the licensed show houses in Assam that the films produced in Assam shall be exhibited for a period of not less than 28 days in a year.

(c) In other to promote the production of films in Assam, Government have granted grant-in-aid in the form of refund of amusement tax to the films produced in Assam. Some films having educational values whose producers are outside Assam have been exempted from payment of amusement tax.

Shri Bijoy Krishna Handique : Mr. Speaker, sir, is it a fact that an Assamese picture under the title যোগবিয়োগ was shown more than 10 weeks in a local Cinema Hall at Gauhati with the result that the producer of the picture got Rs. 24,000/- and the Hall owner got Rs. 37,000/- ?

Shri Sarat Chandra Sinha ( Chief Minister ) : That may be so, sir. The system of calculation is very cumbersome and on account of that calculation and taking advantage of the position the Cinema Halls are holding it may be quite possible.

Shri Shanti Ranjan Dasgupta : Sir, certain conditions are imposed in the Cinematograph Rules. Unless it is incorporated in the rules, these will not be legally valid.

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, I do not have the personal knowledge about that. I think this is not incorporated in the rules. This is an agreement between the distributor and the exhibitor.

Shri Gunendra Nath Pandit : Sir, is it a fact that late Brojen Kumar Barua was given the refund of Rs. 50,000/- by the Government of Assam as amusement tax and this amount of Rs, 50,000/- was received by Shri A. K. Januja who financed the film depriving the producer late Sri Barua with the result that Mr. Barua sustained heavy loss ? Is it also the fact that cost of production of the picture amounting $1\frac{1}{2}$ lakhs was also realised by Shri Januja depriving late Sri Barua.

Shri Sarat Chandra Sinha ( Chief Minister ) : The hon. member has raised the question of refund of amusement tax. With regard to this particular film, amusement tax to the extent of Rs. 50,000/- has been refunded. But who is the actual recepient---whether he is A.K. Januja or Mr. Barua is a matter for enquiry. But the money has been paid.

Shri Dulal Chandra Barua : Paid by the Government ?

Shri Sarat Chandra Sinha ( Chief Minister ) : It has been refunded. It is the policy of the Government that if a film is produced in Assam by a producer of Assam, then the amusement tax realised is ultimately refunded.

Shri Dulal Chandra Barua : At whose instance this had been refunded ? On a petition by Mr. Januja or by Mr. Barua ? Who applied ?

Shri Sarat Chandra Sinha ( Chief Minister ) ; That will have to be looked into.

Shri Bejoy Krishna Handique : How many producers from outside have yet to collect the money refunded by way of amusement tax ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, as I have said, we have not paid any such amount to any outsider, but the money might go to an outsider through some mechanism of agreement. As a matter of fact, we refund only to the producer of the film concerned.

Shri Bejoy Krishna Handique : May I know how many produceers from outside have not yet received the money ?

Shri Sarat Chandra Sinha ( Chief Minister ) : That is not with me now.

Shri Bejoy Krishna Handique : Will it be possible for Government to stop payment to them now ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Now it is not possible, because, as I have already said, the Gavernment policy is that if a film is produced in Assam by a producer of Assam, the amusement tax that is realised on account of that film is refunded. So, we are bound to refund the amusement tax, but then, Sir, due to some mechanism of agreement the money might go to an outsider. In this respect certain other steps will have to be taken.

Shri Gunendra Nath Pandit : In case of the picture Mukuta also, the refund of amusement tax was received by Mr. A.K. Januja, depriving Mr. Barua. Is it a fact ?

Mr. Speaker : He will have to enquire.

Shri Dulal Chandra Barua : What are those films for which refund of amusement tax has been made ?

Shri Sarat Chandra Sinha (Chief Minister) : Maniram Dewan, Pratidhwani, Tezimola, Ito Sito Bohuto, Matir Swarga, Narkasur, Lotighoti, Sangram, Maram Trishna, Baruar Sansar, Mukuta.

Smti Renuka Devi Barkataky : The Chief Minister has stated that due to some mechanism of agreement, some money refunded on account of amusement tax for films produced within the State of Assam, might go to the people outside Assam. For example Mr. A.K. Januja and some others, who have received lakhs of rupees on this account. May I know from the Hon'ble Chief Minister what steps Government are going to take to help the local producers so that they may not be instruments in the hands of people from outside the State ?

Shri Sarat Chandra Sinha (Chief Minister) : The whole scheme is under the consideration of Government. We will see that this kind of malpractice is stopped. It is our endeavour to help the producers, distributors and also the exhibitors in the State.

Shri Dulal Chandra Barua : The Chief Minister read out a list of films, which, he said, were produced in Assam, and for which refund of amusement tax had been made. But there are some other films produced by outsiders for which also such kind of exemption was given. May I know the names of those films ?

Shri Sarat Chandra Sinha (Chief Minister) : Yes, Sir, I have got the list. In their cases amusement tax had not been collected. They were exempted from payment of amusement tax. These are the films : Haueqat, Raja Ram Mohon, Saheed, Netaji Subhas Chandra Bose, Pratidhwani or Kasharati (with Khasi commentary), Subhas Chandra (Bengali version), Shakuntala, Upkar, Aman, Maram Trishna (Assamese), for six months Nau Umar Ki Nai

Fasal, Charan Kavi Mukunda Das, Bhaagya (Assamese) again Upkar, again Aman ( when I repeat these are for different periods ), then Sant Tukuram, Parivar, Ankhen, Mhatma, Aradhana, Hum Ek Hain.

ডাক্তৰ ৰবীন গোস্বামী : অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক এটা কথা সুধিব পৰোনে যে আঁখে, আমন আৰু আৰাধনা এই তিনিখন ছবিক চৰকাৰে শিক্ষাপ্ৰদ বুলি ভাবেনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : মই চিনেমা চোৱা নাই—সেইকাৰণে কব নোৱাৰোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব পাৰোনে যে বৰ্ত্তমান আমাৰ অসমত যিটো ফিলিম্ ইণ্ডাষ্ট্ৰি ডেভেলপ্‌মেন্ট হৈছে সেইটো বহুত 'শ্ব', ফাইনেন্সৰ ফালৰ পৰা অসুবিধা। চৰকাৰে নীতিগত ভাৱে চিনেমা Producer ক সহায় কৰিব পাৰে, কিন্তু বাহিৰৰ পৰা অহা চিনেমা producer বিলাকে সহায় কৰাটো উচিত নহব বুলি চৰকাৰে ভাবেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী ) : এই বিষয়টো এতিয়া ইয়াত আলোচনা কৰিবলৈ হলে বহুত সময় লব, সেই কাৰণে এই বিষয়টো বেলেগ এদিন আলোচনা কৰিম বুলি ভাবিছো। পিচৰ আলোচনাত সকলোৱে অংশ গ্ৰহণ কৰিবলৈ অধিক সময় পাব।

Shri Gunendra Nath Pandit : May I know from the Chief Minister, whether in order to foster the film industry a Film Development Council or something like that would be established here allocating finance from which agency the film makers of Assam could get all the facilities for production of film ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : পাচত আলোচনা কৰিব।

Shri Mal Chandra Pegu : Sir, in the admitted copy of the Question was put to the Minister, education. But the printed question shows that the question has been put to the Minister, as befor. Tribal grants only.

Mr. Speaker: Do you want the reply or not ?

Shri Mal Chandra Pegu: Sir, in the admitted copy of the question was like this: Whether the Minister, Education will be pleased to state—Total grant received by the Lohitmukh H.E. School in Tezpur Sub-Division from the General grant and Tribal grant during the years 1961-62 to 1971-72 ( to be shown year-wise )

Mr. Speaker: Do you want to hear the reply from the Minister, W.B.C. or not ?

Shri Mal Chandra Pegu: Yes Sir.

## Re: Luhitmukh High School

Shri Mal Chandra Pegu asked:

*264. Will the Minister-in-charge of Welfare of Backward Classes be pleased to state—

(a) Whether the Luhitmukh High School in Tezpur Sub-division received any non recuring grant under Article 275 of the Constitution during the year 1962-63 to 1970-71 ( to be shown year-wise ) ?

(b) If so, whether the account was subject to audit by the Department concerned ?

Shri Uttam Chandra Brahma ( Minister, Welfare of Backward Classes ) replied :

(a)—Luhitmukh High School in Tezpur Subdivision received the following non-recurring grants under Art. 275—

1962-63—Rs.450.

1963-64—Rs.3,000,

1964-65—Rs.5,000.

1969-70—Rs.4,000.

1971-72=Rs,2,000,

(b) Yes, the Examiner of Local Accounts has been requested to conduct the audit.

Shri Mal Chandra Pegu : May I know whether the accounts of the School have been audited ?

Shri Uttam Chandra Brahma, ( Minister, W.B.C ) : Not yet. We have ordered for conducting the audit.

Shri Mal Chandra Pegu : Whether any utilisation certificate for these grants have been submitted to the Government ?

Shri Uttam Chandra Brahma. ( Minister, WBC ) : It is not with me Sir.

Shri Charan Narzary : What the criterion for entitlement of grant under article 275 to an institution ?

Shri Uttam Chandra Brahma ( Minister, W.B.C ) : Any institution having 15% Tribal students of the total enrolment is entitled to get building grants under article 275 of the Constitution.

Shri Charan Narzary : Whether that percentage of Tribal student is there in that particular institution ?

Shri Uttam Chandra Brahma ( Minister, W.B.C ) : I think, Lohitmukh High School has got 90% Tribal students.

Shri Mal Channra Pegu : May I know from the Minister whether a sum of Rs.85,000/- was given to this school during the period when Shri Gopal Chandra Sarma Barua was the D.P.I.

Shri Uttam Chandra Brahma ( Minister, WBC ) : That is not with me Sir.

Shri Mal Chandra Pegu : Whether the Minister will be pleased to hold an enquiry as to whether this amount of Rs.85,000/- which was given to the school was properly utilised ?

Shri Uttam Chandra Brahma ( Minister, W.B.C ): I think, that amount concerns the general fund.

Shri Mal Chandra Pegu : Whether the Minister has got joint responsibility ?

Shri Uttam Chandra Brahma ( Minister, WBC ): Any way, I shall enquire into the matter.

**Re : Murder of Parijat Sinha**

Shri Santosh Kumar Roy asked :

*265. Will the Chief Minister be pleased to state—

(a) Whether Government is aware about the broad day light murder of Parijat Sinha, a School Teacher of Lala Higher Secondary and Multipurpose School two years back under Hailakandi Sub-division ?

(b) Whether the accused has been arrested ?

(c) If not, why ?

(d) Whether the case has been filed in the Court ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

(a) Yes, Parijat Sinha a School Teacher of Lala Higher Secondary and Multipurpose School was murdered on April 21, 1970 at about 1030 hours.

(b) Except one absconder all the accused persons were arrested.

(c) Does not arise.

(d) Yes, the case is subjudice in the Court.

শ্রীগৌতম রায় : অধ্যক্ষ মহোদয়, যে একটি Accused কে ধরতে পারা যায়নি, সে বর্তমানে বাংলাদেশে আছে এবং মাঝে মাঝে এই অঞ্চলে আসে। মুখ্যমন্ত্রী মহাশয় কি এই কথা জানেন ?

শ্রীশরত্ চন্দ্র সিংহ : ( মুখ্যমন্ত্রী ) : স্যার, আসামী বাংলাদেশে পালিয়ে গেছে এবং সেজন্য তাকে ধরতে পারা যায়নি। যদি মাঝে মাঝে সে এখানে আসে, তাহলে

পুলিশ তাকে ধরার জন্য চেষ্টা করছে। তাছাড়া, যাতে সে এখানে এসে থাকতে না পারে তার জন্য পুলিশ তার বাড়ীঘর সমস্ত জব্দ করেছে।

Shri Shubhankar Singha : Sir, it appears from the reply of the Chief Minister that one of the accused has gone over to Jay Bangla or Bangladesh who comes often to Hailakandi, but he could not be arrested by the police officer even when he has been directed by the Government. Is it not a sheer negligence or passive attitude on the part of the Police officer concerned ? May I know whether the Chief Minister will take drastic action for the failure of the police officer in the discharge of his duty ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, the Police is taking every possible step to arrest the culprit. But if he comes stealthily and goes again to Bangladesh it is very difficult for the Police to arrest him. But in the mean time the Police has taken all steps and seized all his properties so that he cannot.........................

Shri Dulal Chandra Barua : Sir, the Chief Minister has said that Police has taken steps and his properties have been seized. May I know from the Government whether it is a fact that due to negligence on the part of the Police officer this man left for Bangladesh which as Pakistan at that time from Lala in collaboration with the Police and whenever he comes to Lala it is in knowledge of Police ? Then how the Chief Minister could say that all possible steps have been taken for his arrest ?

Shri Sarat Chandra Sinha ( Chief Minister ) : That is not the fact Sir.

Shri Dulal Chandra Barua : Sir, I want to ask the Chief

Minister whether he is aware of the fact that this man left for Bangladesh with the knowledge of Police and when he comes here it is also with the knowledge of Police. Sir, it is a long period between the incident that took place and to-day and in view of this long period in which the man could not be arrested, do the Government not consider it a failure on the part of the Police. ?

Shri Sarat Chandra Sinha ( Chief Minister ) : I quite appreciate the impression of the hon'ble member. But the fact is otherwise.

Smti. Renuka Devi Barkataki : Sir, the Government has admitted that this gentleman is coming in India and going to Bangladesh and so his properties have been confiscated by the Police department. Now since Bangladesh is a friendly country, whether any steps have been thken to arrest this man from Pangladesh ?

Shri Sarat Chandra Sinha (Chief Minister ) : I have not said that he comes to India and goes back to Bangladesh; that is the impression; if he comes here he might have come here stealthily. We have already taken up this matter with the Government of Bangladesh so that the culprit might be arrested.

Shri Gunendra Nath Pandit : Sir, may I know whether the other accused were enlarged on bail ?

Shri Sarat Chandra Sinha ( Chief Minister ) : The other accused were arrested and were released on bail by the court, and not by the Police.

Shri Ataur Rahman : Sir, whether the Extradition Act is applicable in the case of Bangladesh ?

Shri Sarat Chandra Sinha ( Chief Minister ) : I think so:

## Re : Strike observed by the Doctors and Staff of the Gauhati Medical College

Sreemati Renuka Devi Barkataki asked :

*266. Will the Minister-in-charge of Health be pleased to state—

(a) Whether it is a fact that the Doctors and staff of the Gauhati Medical College went on strike from 11th May to 13th May, 1972 ?

(b) If so, what were the reasons for the strike ?

Shri Chatrasing Teron (Minister, Health) replied :

(a) The Junior Doctors namely House Surgeon/House Physician, Rotating Doctors, Nurses and Grade IV staff of the Gauhati Medical College Hospital stopped work in the Hospital from the evening of 10th May, 1972 till the evening on 12th May, 1972.

(b) One Post-graduate Student Doctor was assaulted by some unknown persons and the junior Doctors and other staff abstained from work demanding adequate security arrangements for their protection from such assaults.

Smti. Renuka Devi Barkataky : Sir, whether the Government has made any enquiry as to why this junior doctor was assaulted by the public ?

Shri Chatra Sing Teron (Minister) : Sir, the reason is not exactly known why they assaulted the doctor. But there was commotion as a result of the death of a certain student in that Medical College. Therefore, when there was commotion, all these things subsequently happened.

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এই ডাক্তৰ সকলে যে ষ্ট্ৰাইক কৰিছিল তাৰ আগতে নটিচ দিছিলনেকি ?

শ্ৰীচত্ৰসিং টেৰন (মন্ত্ৰী): এই ডাক্তৰ সকলে ষ্ট্ৰাইক কৰা সম্পৰ্কে দিয়া কোনো নটিচ আমি পোৱা নাই।

শ্ৰীৰেনুকা দেৱী বৰকটকী: অধ্যক্ষ মহোদয়, গুৱাহাটীৰ মেডিকেল কলেজৰ ডাক্তৰ সকল আৰু বাইজৰ মাজত প্ৰত্যেক বছৰে এবাৰ নহয় এবাৰ সংঘৰ্ষ হৈ থাকে। সেই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে? যাতে ভৱিষ্যতে ৰাইজ আৰু ডাক্তৰৰ মাজত কোনো ধৰনৰ সংঘৰ্ষ হব নোৱাৰে তাৰ চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা লৈছে জনাবনে?

শ্ৰীচত্ৰসিং টেৰন (মন্ত্ৰী): সাধাৰণতে এই সংঘৰ্ষ বিলাক কিছুমান কাৰণতে হয়। এইটো আমি অস্বীকাৰ কৰিব নোৱাৰো। এইটো নোহোৱা কৰিবৰ কাৰণে আমি যিবিলাক ব্যৱস্থা লোৱা আৱশ্যক, সেইবিলাক ব্যৱস্থা নিশ্চয় লম। কিন্তু তথাপিও কব নোৱাৰো কিবা সাধাৰণ কথা এটা লৈয়ে যে, ভৱিষ্যতে কিবা গন্দগোল নহব।

শ্ৰীজালাল উদ্দিন আহমদ: অধ্যক্ষ মহোদয়, গুৱাহাটীৰ মেডিকেল কলেজৰ ডাক্তৰ সকলে ষ্ট্ৰাইক কৰিলে ১১ তাৰিখৰ পৰা ১৩ তাৰিখলৈকে সেই সময়ছোৱাত চিকিৎসাৰ অভাৱত কিমান জন ৰোগী মৰিল?

শ্ৰীচত্ৰ সিং টেৰন (মন্ত্ৰী): চিকিৎসা চলিয়েই আছিল।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা: অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে, আমি কাৰণ বিলাক বিশেষভাৱে নাজানো। তেনেহলে চৰকাৰে যিহিত ব্যৱস্থা কেনেধৰণে লৈছে আৰু কৈছে যে ভৱিষ্যতে কিবা গন্দগোল হব পাৰে। কিন্তু গন্দগোল নহবৰ কাৰণে কাৰণ বিলাক উলিয়াই সমস্যা সমাধান কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্ৰীচত্ৰসিং টেৰন (মন্ত্ৰী): অধ্যক্ষ মহোদয়, প্ৰথম কথা হৈছে যে, আমাৰ মেডিকেল কলেজ হস্পিতালটো ঘনবসতিপূৰ্ণ এলেকাত অৱস্থিত। সেইকাৰণে তাৰ মানুহ অহা যোৱা খুব বেছি আৰু কেতিয়াবা হয়তো হস্পিতাল কেম্পাচ ভিতৰলৈ মানুহ সোমাই যায়। সেইকাৰণে মই এটা কথা ভাবিছো যে, ভিজিটৰৰ সময়খিনি ঠিকলি এনফৰ্চ কৰিব লাগিব। দ্বিতীয়তে যিসকল বেমাৰী তেওঁলোকৰ আৱশ্যকীয় পৰিচয় পত্ৰ ইত্যাদি দিব লাগিব। তৃতীয়তে ডাক্তৰ বা কাম কৰা যি সকল মানুহ থাকে যাতে তেওঁলোকৰ হাতত্তো পৰিচয় পত্ৰ থাকে তাৰ ব্যৱস্থা কৰিব লাগিব। তাৰ পাছত আৰু এটা কথা হৈছে যে, হস্পিতাল হিচাবে যিমানখিনি সুবিধা আদি দিব লাগে সেই সুবিধাৰ ব্যৱস্থা কৰিব পৰা নাই। তাত ষ্টাফৰ অভাৱ আছে, নাৰ্চৰ অভাৱ আছে। এতিয়া তাত একমোদেচনৰ

অসুবিধাটোৱে আটাইতকৈ ডাঙৰ অসুবিধা হিচাবে দেখা দিছে। কিন্তু তাৰ মাজতে আমি কিছু ব্যৱস্থা লবলৈ চাইছো।

শ্ৰীগৌৰী শঙ্কৰ ভট্টাচাৰ্য্য ঃ অধ্যক্ষ মহোদয়, মূল কাৰণ এইটোৱেই নহয় নেকি যে, এই গুৱাহাটী চিকিৎসাৰ যিটো হস্পিতাল আছে তাত ডাক্তৰ সকলে ৰোগীক যথেষ্ট যত্ন নলয়, নাৰ্চ পোৱা নাযায় যিবিলাক এটেনদেণ্ট থাকে সেই সকলকো পইচা নিদিলে কাম পোৱা নাযায়। হস্পিতালৰ বেচিভাগ দৰৱ বাহিৰত বিক্ৰি হৈ যায়। এই হস্পিতাললৈ মানুহ মৰিবৰ কাৰণে যাব লাগে। কিন্তু বাচিবলৈ যাব নালাগে। এনেকুৱা পৰিস্থিতি হৈ থকা কাৰণে গন্দগোল বিলাকেই মূল কাৰণ নহয় জানো?

শ্ৰীচত্ৰসিং টেৰন (মন্ত্ৰী)ঃ এইটো কথাটা লৈ সদনৰ ভিতৰে বাহিৰে না না আপত্তি আৰু কমপ্লেইন আহিছে। এইটো বোধকৰো আপোনালোকৰো মনত আছে যে, আমি এটা চেষ্টা কৰিছিলো। ইয়াৰ বাবে আমি এটা ওৱান মেন কমিটি কৰিছিলো আৰু তাৰ ৰিপৰ্টট পাইছো। এই কমিটিয়ে যিবিলাক ৰিকমেনদেচন দিছে সেইবিলাক আমি কি কৰিব লাগে চাইছো।

ডাক্তৰ ৰবিন গোস্বামী ঃ গুৱাহাটী মেদিকেল কলেজৰ সন্মুখত সশস্ত্ৰ পহৰাৰ ব্যৱস্থা কিয় কৰা হৈছে? ভাৰতবৰ্ষৰ আন আন মেদিকেল কলেজৰ দুৱাৰ মুখত আৰ্ম পুলিচ ৰখাৰ ব্যৱস্থা কিয় কৰিব লগা হল?

শ্ৰীচত্ৰসিং টেৰন (মন্ত্ৰী)ঃ সেইটো কৰিব নলগিয়া হলে আমি সকলো সুখী হলোহেতেন। কিন্তু দুৰ্ভাগ্য বশতঃ যি সকল ডাক্তৰ ষ্ট্ৰাইক কৰিছিল সেইসকলে ডাক্তৰে চৰকাৰৰ পক্ষৰ পৰা বা কৰ্তৃপক্ষৰ পৰা যেতিয়া লৈকে বিহিত ব্যৱস্থা নাপায় তেতিয়ালৈকে কাম কৰিব নোৱাৰে। গতিকে এইটো কৰিবলগা হোৱাত যদিও আমি সুখী হব পৰা নাই তথাপিও সময়ত পৰি কৰিব লগা হৈছে।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, এই ডাক্তৰ সকলে যে, ১০ মে তাৰিখৰ পৰা ১৩ তাৰিখলৈকে ষ্ট্ৰাইক কৰিলে তেতিয়া তেওঁলোকে কিছুমান দাবি উৎথাপন কৰিছিল। এই দাবীবোৰ চৰকাৰক তেখেঁতসকলে দিছিল, সেইবোৰ সকলো চৰকাৰে মানি লৈছেনেকী?

শ্ৰীচত্ৰসিং টেৰন (মন্ত্ৰী)ঃ যিবিলাক দাবী আছিল, সেইবিলাক আমি কেইটামান পৰ্য্যায়ৰ পৰা চাইছো। দীৰ্ঘম্যাদী আৰু হ্ৰষ্ট্ৰম্যাদী যিবিলাক কথা আছে আৰু যিবিলাক বৰ্ত্তমান হস্পিতাল কেম্পাচত কৰিবলাগিব আৰু কিছুমান আন ঠাইত কৰিব লাগিব। দীৰ্ঘম্যাদীতা হৈছে হস্পিতাল স্থানান্তৰ কথা। পানবজাৰৰ পৰা

দিচপুৰলৈ হস্পিতাল স্থানান্তৰ কৰিব লাগিলে যঠেষ্ট সময় লাগিব। গতিকে অতি কম সময়ৰ ভিতৰতে এইটো কৰিব পাৰিম বুলি আমি প্ৰতিশ্ৰুতি দিব নোৱাৰো। ইয়াৰ বাহিৰেও ডাক্তৰ সকলে কৈছিল যে, পানবজাৰ হস্পিতালৰ ভিতৰতো কেইটামান ব্যৱস্থা কৰিবলগা আছে। যাতে মানুহে আহি আউট দৰ আৰু ইমদৰত ৰাচ কৰিব নোৱাৰে তাৰ বাবে এখন ওৱালৰ ব্যৱস্থা কৰিব লাগে। পানবজাৰত নাৰ্চ থকাৰ ব্যৱস্থাটো কৰিব লাগে। ইতিমধ্যে আমি পি, ডব্লিউ, দি ক অনুৰোধ কৰিছো কিন্তু তাৰ পৰা প্লেন এচটিমেট আহি পোৱা নাই। এইটো আহিলে এইটো কৰিবৰ কাৰণে যত্ন কৰিম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : চাৰ মাননীয় মন্ত্ৰী মহোদয়ে যিবিলাক ব্যৱস্থাৰ কথা কৈছে সেই বিলাক বাহ্যিক ব্যৱস্থা মাত্ৰ, সেই ব্যৱস্থাৰ যোগেদি হস্পিতাল বিলাকৰ বৰ্ত্তমান যি সমস্যা সেই সমস্যা সমাধান নহয়, ভিজিটৰচ ৰেষ্টিকচন কৰাতো গণ্ডগোল হব পাৰে, আৰ্মপুলিচতো গণ্ডগোল হব পাৰে আৰু গাৰ্ডওৱালতো গণ্ডগোল হব পাৰে। বিভাগীয় ব্যৱস্থা যেনে নাৰ্চ ঔষধ পাতি আদি আৰু ডাক্তৰ আৰু প্ৰিন্সিপালৰ মাজত যি মনো মালিন্য চলি আছে সেই বোৰ দূৰ কৰাৰ ব্যৱস্থা নকৰিলে সমস্যা সমাধান হবনে ?

শ্ৰীচত্ৰ সিং টেৰন ( মন্ত্ৰী ) : চাৰ সেইটো এটা মতামত সাপেক্ষ কথা, কিন্তু মই এইটো অস্বীকাৰ নকৰো যে মাননীয় সদস্য সকলে কোৱাৰ দৰে তাত কিছুমান বেমেজালি আৰু অসুস্থ পৰিবেশ নোহোৱা নহয়। সিদিনা কোৱাৰ দৰে মই আজিও কওঁ যে সেইবোৰ তদন্ত কৰা হব।

শ্ৰীসোণেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, মৃত্যুৰ কাৰণে সমাজত এখন জমৰ নগৰ আৰু দৰবাৰো আছে বুলি এটা প্ৰবাদ বাক্য আছে। আমাৰ গুৱাহাটী মেডিকেল কলেজৰ দৰবাৰত থকা সশস্ত্ৰ পুলিচ দেখি ভৰ্ত্তি কৰিবলৈ নিয়া বেমাৰীৰ যে বাটতে ধাতু যায় সেই কথাটো মন্ত্ৰী মহোদয়ে জানে নে ?

( উত্তৰ নাই )

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা : ডাক্তৰ সকলে উল্লেখ কৰা দাবী বিলাক খৰতকীয়া ব্যৱস্থা নোহোৱাৰ বাবে ১৮ তাৰিখৰ পৰা ধৰ্ম্মঘট কৰিম বুলি সিধান্ত লোৱাৰ কথা চৰকাৰে জানেনে ?

শ্ৰীচত্ৰ সিং টেৰন ( মন্ত্ৰী ) : চাৰ, সেইটো খবৰ মই লম।

## বিষয় ঃ অধ্যাপকলৈ ইন্‌ক্ৰিমেণ্ট দিয়াৰ ব্যৱস্থা

শ্ৰীনগেন বৰুৱাই সুধিছে :

*২৬৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ঃ

(ক) কলেজ, বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকা কোনো অধ্যাপকে পি, এইচ, ডি, ডিগ্ৰী লাভ কৰিলে দুটা ইন্‌ক্ৰিমেণ্ট পোৱা নিয়ম আছে নে ?

(খ) দেশীয় বিশ্ববিদ্যালয়ৰ পৰা পি, এইচ, ডি লাভ কৰোঁতা অধ্যাপক সকলক অসমৰ কলেজ সমূহত এটাহে ইন্‌ক্ৰিমেণ্ট দিয়া হয় এই কথাটো সঁচা নে ?

(গ) বিদেশৰ বিশ্ববিদ্যালয়ৰ পৰা এনে ডিগ্ৰি লাভ কৰা অধ্যাপক সকলক দুটা ইন্‌ক্ৰিমেণ্ট দিয়া কথা সঁচা নে ?

(ঘ) অসমৰ বিশ্ববিদ্যালয় সমূহৰ অধ্যাপকক দেশী-বিদেশী বিশ্ববিদ্যালয়ৰ পৰা পি, এইচ, ডি, ডিগ্ৰি লাভ কৰিলে দুটা ইন্‌ক্ৰিমেণ্ট দিয়াৰ কথা সঁচা নে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৬০ চনত চৰকাৰে লোৱা সিদ্ধান্ত অনুযায়ী কেৱল বিদেশৰ বিশ্ববিদ্যালয়ৰ সমূহৰ পৰা পি, এইচ, ডি, ডিগ্ৰি লাভ কৰা চৰকাৰী কলেজৰ অধ্যাপক সকলক দুটাকৈ আগতীয়া ইন্‌ক্ৰিমেণ্ট দিয়াৰ ব্যৱস্থা আছিল। কিন্তু ১৯৭১ চনৰ পহিলা জুলাইৰ সংশোধীত সিদ্ধান্ত অনুযায়ী স্বদেশ বা বিদেশৰ বিশ্ববিদ্যালয়ৰ সমূহৰ পৰা পি, এইচ, ডি, ডিগ্ৰি লাভ কৰা চৰকাৰী কলেজৰ অধ্যাপক সকলক মাত্ৰ এটাকৈ আগতীয়া ইন্‌ক্ৰিমেণ্ট দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(খ) হয়, সঁচা।

(গ) ১৯৭১ চনৰ সংশোধীত সিদ্ধান্তৰ পূৰ্ব্বে কেৱল বিদেশৰ বিশ্ববিদ্যালয়ৰ সমূহৰ পৰা পি, এইচ, ডি, ডিগ্ৰি লাভ কৰা চৰকাৰী কলেজৰ অধ্যাপক সকলে দুটাকৈ আগতীয়া ইন্‌ক্ৰিমেণ্ট পোৱাৰ ব্যৱস্থা আছিল। কিন্তু সমতা ৰক্ষাৰ বাবে এতিয়া এটাকৈহে দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) হয়, সঁচা।

শ্ৰীনগেন বৰুৱা ঃ আমাৰ কলেজ সমূহত এনেকৈ ডক্টৰেট ডিগ্ৰী লোৱা কিমান শিক্ষক আছে যাক এটাও ইনক্ৰিমেণ্ট দিয়া হোৱা নাই ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) ঃ চাৰ, সাহায্য প্ৰাপ্ত কলেজৰ কথা সুধিছে নে চৰকাৰী কলেজৰ কথা শুধিছে ? কিমান আছে সেইটো খবৰ মোৰ নাই।

শ্ৰীতুলাল খাউণ্ড: অধ্যক্ষ মহোদয়, ডক্টৰেট উপাধি পোৱা শিক্ষক সকলক চৰকাৰী কলেজত ইনক্ৰিমেণ্ট দিয়াৰ ব্যৱস্থা আছে বুলি মন্ত্ৰী মহোদয়ে কৈছে, মাটি মঞ্জুৰী পাপ্ত কলেজ সমূহত সেই ব্যৱস্থা আছে নে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ): সেই ব্যৱস্থা এতিয়া নাই।

Shri Charan Narzary : Whether the Government is aware that in some colleges some of the lecturers in English without having Ph. D Degree are also enjoying the benefit of double increment ?

Shri Harendra Nath Talukdar (Minister ): Sir, that information is not with me at the moment.

শ্ৰীতুলাল খাউণ্ড : অধ্যক্ষ মহোদয়, ডক্টৰেট ডিগ্ৰী পোৱা শিক্ষক সকলৰ ইনক্ৰিমেণ্টৰ যি বৈষম্য চলি আছে সেই বৈষম্যৰ অৱসান ঘটাবৰ কাৰণে অসমৰ কলেজ সমূহৰ শিক্ষক সন্থাই বাৰে বাৰে অনুৰোধ কৰি থকা কথাটো সচাঁনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, সেই কাৰণে মই কৈঁছোৱেই যে এই বিষয়টো বৰ্ত্তমান পে-কমিটিত দিয়া হৈছে।

## বিষয় : তদন্ত আয়োগ গঠন

শ্ৰীলক্ষী কান্ত শইকীয়াই সুধিছে :

*২৬৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) চৰকাৰে ১৯৬০ চনৰ পৰা অসমত কিমান কেইটা তদন্ত আয়োগ গঠন কৰিছে ?

(খ) সেই তদন্ত আয়োগ সমূহৰ সকলো প্ৰতিবেদন চৰকাৰে পাইছে নে ?

(গ) যদি পাইছে, কিমান কেইটাৰ প্ৰতিবেদন ৰাইজক জানিব দিয়া হ'ল ?

(ঘ) কিমান কেইটা প্ৰতিবেদন পৰামৰ্শ অনুসৰি চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিলে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৬০ চনৰ পৰা অসমত এতিয়ালৈকে ১৯ টা তদন্ত আয়োগ গঠন কৰা হৈছে।

(খ) চৰকাৰে এতিয়ালৈকে ১৮ খন আ'য়োগৰ প্ৰতিবেদন পাইছে।

(গ) পাঁচ খনৰ।

(ঘ) ১২ খন প্ৰতিবেদনৰ পৰামৰ্শ অনুসৰি, যুক্তি যেনে ধৰণৰ ব্যৱস্থা উচিত বিবেচনা কৰা হৈছে, সেই মতে ব্যৱস্থা লোৱা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী মহোদয়ে যিটো হিচাব দিলে, তাৰ ভিতৰত বিভাগীয় তদন্তও আছেনে ? যি ১৯ টাৰ হিচাব দিলে তাৰ নাম কেইটা কবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, বিভাগীয় তদন্তৰ বিৱৰণ ইয়াত আছে, যি ১৯ টাৰ নাম দিয়া হ'ল সেই কেইটা হৈছে।

Gauhati Police Firing—4th July 1960

Incidence of rioting and arsion at Goreswar on 4th, 5th, 6th and 7th July, 1960

Police Firing at Orang on 13th June, 1961

Tinsukia Stampede on 5th February, 1966

Silchar Police firing on 19th May, 1961

Shillong Police Firing on 17th February, 1964

Incidence of fire that broke out on 8th March, 1965 in Barpeta tow.

Tezpur Police firing on 8th May, 1967

Food agitation incidence in 1966

Bilasipara Police firing on 12th September, 1966

Republic Day disturbance at Gauhati in 1968

Incidence of North Lakhimpur on 9th September, 1970

Police firing at Dhansirimukh on 15th December, 1970.

তাৰ পিচত চাৰ বিভাগীয় তদন্ত হৈছে ৬ টাৰ। সেই কেইটা হৈছে—

Power (Electricity), Mines and Minerals Deptt.—

Commission of Inquiry into the working of the Assam State Electricity Board, 1969.

Home Department—Commission of Inquiry into the death of Benu Hazarika, 1971.

Flood control & Irrigation Deptt.—Commission of Inquiry into the collapse of sluice, culverts, in 1963.

Supply Deptt—Commission of Inquiry into the disposal of surplus American pipes and Cuplings, 1963 ; Supply Department, Commission of Inquiry into the situation arising out of distribution and sale of cement at Gauhati, 1972 ; P.W.D. (R & B), Commission of Inquiry into the collapse of bridges, 1963.

শ্ৰীলক্ষী কান্ত শইকীয়াঃ এই যে চকাৰে পোৱা ১৮ খন প্ৰতিবেদনৰ যি-কেইখন এতিয়ালৈকে ৰাইজক জানিবলৈ দিয়া হোৱা নাই এই কেইখন কি কি আৰু যি ৫ খন ৰাইজক জানিবলৈ দিয়া হৈছে এই কেইখন কি কি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মূখ্য মন্ত্ৰী ) ঃ ১৯ খনৰ ভিতৰত যি কেইখনৰ ৰিপৰ্ট পোৱা নাই সেই কেইখনৰ ভিতৰত আছে চিমেণ্ট সম্পৰ্কীয় এখন আৰু বাকী কেইখন হৈছে Gawuhati police firing on 4th July 1960, Incident of rioting and arsion at Goreswar, Police firing at orang, Assam state Electricity Board and the commission of Inquiry into the death of Benu Hazarika.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱাঃ মোকেলৰ ৰিপৰ্ট পোৱা নাই ?

শ্ৰীচত্ৰ সিং টেৰন ঃ এইটো কমিচন নাছিল এইটো কমিটিহে আছিল।

শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্যঃ মই জানিব খুজিছোঁ যে ৰাজহুৱা দাবীৰ ওপৰত ভিত্তি কৰি যি বিলাক আয়োগ গঠন কৰা হৈছিল সেই বিলাকত ৰাজহুৱা ভাবেসাক্ষ্য গ্ৰহন কৰা হৈছিল। তেনেস্থলত গুৰুত্বপূৰ্ণ এই কমিচনৰ ৰিপৰ্ট বিলাক যেনে Tinsukia Stampede, Shillong firing, Silchar firing, Barpeta Incident.

১৯৬৮ চনত গুৱাহাটিৰ ৰিপাবলিকটেডৰ দুৰ্ঘটনা সম্পৰ্কে যিবিলাক ৰজহুৱা ভাবে সাক্ষী লোৱা স্বত্তেও এই বিলাক ৰিপৰ্ট কিয় ৰাইজৰ পৰা গোপন কৰি ৰখা হৈছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মূখ্য মন্ত্ৰী ) গোপন কৰি ৰখাৰ কথা ইয়াত নুঠে। প্ৰতি-বেদনৰ পৰামৰ্শ অনুযায়ী যত যেনে ধৰনৰ ব্যৱস্থা লব লাগে সেই মতে লোৱা হৈছে।

শ্ৰীগৌৰী শংকৰ ভট্টাচাৰ্য্য : এই ৰিপৰ্ট বিলাক ৰাজহুৱা ভাবে সদৰি কৰা ভাল নহয় বুলি কৈছে। এতিয়া কথা হৈছে এই তদন্ত আয়োগ বিলাক গঠন হৈছিল ৰাইজৰ টকাৰে। গতিকে এই বিলাকত তদন্ত কৰি কি পালে সেই বিলাক কিয় ৰাইজক জনাব নোৱাৰে? এই বিলাক জানিলে ভবিষ্যতে এনে ধৰণৰ ঘটনাৰ পৰা উৎভৱ হোৱা পৰিস্থিতিৰ কাৰণে ৰাইজ সাৱধান হব।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মূখ্য মন্ত্ৰী ) : প্ৰতিবেদন বিলাক ৰাইজক জনোৱাৰ প্ৰয়োজন আছে। কিন্তু এই প্ৰতিবেদন বিলাক চৰকাৰে বিবেচনা কৰি সেই বিলাক প্ৰকাশ কৰাকৈয়ে যেনে ধৰনৰ ব্যৱস্থা লোৱা উচিত সেই মতেই ব্যৱস্থা লোৱা হৈছে, আৰু সেই মতেই কৰিলেও কাম হব বুলি মই ভাবো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : ৰাইজৰ দাবীৰ ওপৰত ভিত্তি কৰি এই কমিচন বিলাক গঠন কৰা হৈছে আৰু তদন্তৰ শেষত তেওঁলোকৰ দাবী পূৰণ হৈছেনে নাই জানিব খোজে। এনে অৱস্থাত যি বিলাক ৰিপৰ্টৰ কাম পুৰা হৈছে সেই বিলাক ৰাইজৰ দাবী মানি লৈ সম্পূণ ভাবে নোৱাৰিলেও আংশিক ভাবে প্ৰকাশ কৰিব নোৱাৰাৰ কাৰণ কি? দ্বিতীয়তে মই জানিব বিচাৰিছো যে এই ১৯ টা তদন্ত আয়োগত চৰকাৰে কিমান টকা খৰচ কৰিলে?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মূখ্য মন্ত্ৰী ) : কিমান টকা খৰচ কৰা হৈছে এইটো এটা নতুন প্ৰশ্ন। মই চাব লাগিব। এই সম্পৰ্কত মই মাননীয় সদস্য সকলৰ মনৰ উদ্বিগ্নতা উপলব্ধি কৰিছো। আৰু সেই কাৰণেই মই সদনক জনাব খুজিছো যে অলপতে অৰ্থাত যোৱা ডিচেম্বৰ মাহত পালিয়ামেণ্টত এখন আইন গৃহীত হৈছে। আৰু সেই খন আইনত পৰিনত হৈছে। এই আইনৰ মতে আয়োগ বিলাকৰ ৰিপৰ্ট সদনত দাখিল কৰিবই লাগিব। ধনশীৰী মুখৰ ঘটনা সম্পৰ্কীয় ৰিপৰ্ট খন সদনত দাখিল কৰিবলৈ কোৱা হৈছে আৰু সেই খন সদনত দাখিল কৰা হব। কিন্তু আগেয়ে কিছুমান অসুবিধাৰ কাৰণে ৰিপৰ্ট বিলাক দাখিল কৰিব পৰা হোৱা নাছিল। কিন্তু এতিয়া যেতিয়া আইন হৈ গ'ল, সেই আইন মতে পৰবৰ্ত্তী ৰিপৰ্ট বিলাক সদনত দাখিল কৰা কৰা হব আৰু ৰাইজকো জানিবলৈ দিয়া হব।

Whether under the provision of Sub-Committee of the section 4 of section 3 of the commission of Inquiry Act, as ammended by the parliament recently the report submitted by the commission to the Government in to be laid down before no house within six month

from the date of submission of the report whether this mandatory provision of the Act will be followed by Government.

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ): এইটো কৰা হব বুলি মই কৈছো। ধনশীৰী মূখৰ ৰিপৰ্টটো আমি যোৱা এপ্ৰিল মাহত পাইছো। গতিকে ৬ মাহৰ ভিতৰত সেইটো দিব পৰা হব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড: ৰাজ্যিক বিদ্যুত বৰ্ডৰ সম্পৰ্কত আয়োগে যি বি বিলাক পৰামৰ্শ দিছিল সেই বিলাক চৰকাৰে গ্ৰহন কৰিছেনে নাই? যদি কৰিছে তাৰ ওপৰত কিবা ব্যৱস্থা লৈছেনে?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ) এই সম্পৰ্কত চৰকাৰৰ যি অভিমত সেই খিনি সদনত উত্থাপন কৰা হৈছে আৰু যি ব্যৱস্থা লব পাৰো এই কথাও উল্লেখ কৰা হৈছে। আন আন কথা খিনিৰ কাৰণে বিদ্যুত বৰ্ডলৈ লিখি পঠোৱা হৈছে।

শ্ৰীনগেন বৰুৱা: ১৯৬৬-৬৭ চনত অসম সমবায় চেনিকলৰ ভিতৰুৱা কথা বিলাক অনুসন্ধান কৰিবলৈ তদন্ত আয়োগ গঠন কৰা হৈছিল। আৰু বৰ্ত্তমানৰ মূখ্য সচিব জন তাৰ সভাপতি আছিল। কিন্তু এই ৰিপৰ্টৰ কথা ইয়াত কিয় উল্লেখ নকৰিলে ?।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ): সেইটো ইয়াত উল্লেখ কৰা নাই এই কাৰণেই যে, বোধ হয় স্বাস্থ্য মন্ত্ৰীয়ে কোৱাৰ দৰে এইটো কমিচন নাছিল কমিটিহে আছিল।

শ্ৰীলক্ষী কান্ত শইকীয়া: মোৰ প্ৰশ্নৰ উত্তৰত মুখ্য মন্ত্ৰীয়ে কৈছে যে ১২ খন প্ৰতিবেদনত পৰামৰ্শ অনুসৰি যত যেনে ধৰনৰ ব্যৱস্থা লোৱা উচিত বিবেচনা কৰা হৈছে সেই ধৰনেৰেই ব্যৱস্থা লোৱা হৈছে। কিন্তু বাকী কেইখনৰ ব্যৱস্থা ৬ মাহৰ ভিতৰত কৰিবনে?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্য মন্ত্ৰী ): ১২ খন প্ৰতিবেদনৰ ওপৰত ব্যৱস্থা লোৱা হৈছে। ব্যৱস্থা নোলোৱা বাকী ৭ খনৰ কথা কলেই বোধ হয়, হব।

Guwahati Police firing, 4th July 1960, incident of rioting and arson at Goreswar, police firing at orang, Tinsukia stampede, Incident of firing that broke out on the 8th March, Tezpur Police firing, Foodgrains agitation, Bilasipara police firing, Republic Day disturbances, then the case of power, Mines and Minerals Department, of flood, Benu Hazarika's case, Commission of Inquiry into the collepse of bridges.

## UNDISPOSED STARRED QUESTIONS

( Starred Question Nos. 269, 270, 271, 272, 273, 274, & 275 were not called for want of time. However written replies deehnd to have been laid on the Table as follows )

### Re : Kharmouja State Dispensary

Shri Balabhadra Das asked :

*269. Will the Minister-in-charge of Health and Family Planning be pleased to state—

(a) Whether Government is aware that the building of State Dispensary at Kharmouja under Goalpara Subdivision is totally damaged and the building requires immediate repair ?

(b) Whether there is any proposal for repairing of the said building ?

(c) If so, whether the proposal has been sanctioned ?

(d) If not, whether any proposal is going to be made very soon ?

Shri Chatrasing Teron ( Minister, Health ) replied :

(a) The dispensary building requires repairing but these are not completely damaged.

(b), (c) & (d) This will be considered when proposals and estimates are received, subject to availability of fund.

### বিষয় ঃ জলসিঞ্চন আঁচনি

শ্রীগোলাপ চন্দ্র বৰুৱাই সুধিছে ঃ

*২৭০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

(ক) নগাওঁ জিলাৰ কলিয়াবৰ চাৰ্কোলৰ জলসিঞ্চন আঁচনি চৰকাৰে গ্ৰহণ কৰা কিমান বছৰ হ'ল আৰু আঁচনি খনত কিমান টকা ধৰা হৈছিল ?

(খ) যদি ধৰা হৈছিল কিমান টকা খৰচ কৰিলে জনাব নে ?

(গ) ৰাইজে এই আঁচনিৰ দ্বাৰা ফলভোগ কৰিবলৈ কিমান দিনৰ ভিতৰত পাব বুলি আশা কৰিব পাৰে ?

শ্ৰীবিষ্ণু প্ৰসাদ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এবছৰ তিনিমাহৰ আগতে আঁচনি গ্ৰহণ কৰা হঁয় আৰু আঁচনিখনত ১৪১ লাখ টকা ধৰা হয়।

(খ) ১০, ১৩, ৪১৩·৪২ টকা খৰচ কৰা হৈছে।

(গ) প্ৰায় তিনিবছৰৰ পিছত ৰাইজে ফলভোগ কৰিব পাৰিব যদিহে চৰকাৰৰ আৰ্থিক পৰিস্থিতিয়ে বাধা সৃষ্টি নকৰে।

## বিষয় ঃ টুৰকুনি জানৰ পানী দুৱাৰ।

শ্ৰীকৃষ্ণকান্ত লহকৰে সুধিছে ঃ

*২৭১। মাননীয় গড়কাপ্টানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) বৰপেটা মহকুমাৰ পাঠশালা নগৰৰ ওচৰৰ টুৰকুনি জানৰ পানী দুৱাৰৰ নিৰ্ম্মাণ কাৰ্য্যৰ বৰ্ত্তমান অৱস্থা কি ?

(খ) আৱশ্যকীয় নিবিদা আহ্বান কৰা হৈছিল যদিও এতিয়ালৈকে উক্ত পানী-দুৱাৰৰ কাম আৰম্ভ কৰা হোৱা নাই এইটো সঁচা নে ?

(গ) এই কাম কেতিয়া আৰম্ভ হব ?

শ্ৰীবিষ্ণুপ্ৰসাদ (বান নিয়ন্ত্ৰণ আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নিৰ্ম্মাণ কাৰ্য্য বৰ্ত্তমান হাতত লোৱা নাই।

(খ) হয়, সঁচা।

(গ) আঁচনিখনৰ কাৰিকৰি দিশটো পুণৰ বিবেচনাধীন।

## বিষয় ঃ পুলিচ ইন্সপেক্টৰ নিয়োগ।

শ্ৰীনগেন বৰুৱাই সুধিছে ঃ

*২৭২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ঃ

(ক) অসম পুলিচ বিভাগৰ ইন্সপেক্টৰ পদলৈ তলৰ বিষয়া পদোনতি কৰোতে অসম Public Service Commission ৰ দ্বাৰা পৰীক্ষা লৈ কৰোৱা হয় নে ?

(খ) বৰ্ত্তমান এই ক্ষেত্ৰত কি পদ্ধতি অৱলম্বন কৰা হয় ?

(গ) অসমৰ পুলিচ ইন্সপেক্টৰসকলৰ পদটো গেজেটেড হয়নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (ৰাজ্যিক গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নহয়।

(খ) এই ক্ষেত্রত অসম আৰক্ষী নিয়মাৱলীৰ ৩৯ ধাৰা মতে ব্যৱস্থা লোৱা হয়।

(গ) নহয়।

## ৱিষয় : ডকাইটি

শ্ৰীগোলোক চন্দ্ৰ পাটগিৰিয়ে সুধিছে :

*২৭৩। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

(ক) গোৱালপাৰা জিলাৰ বিজনী থানাত বৰ্ত্তমান বছৰৰ মে' আৰু জুন মাহৰ ভিতৰত কেইটা ডকাইটি সংঘটিত হ'ল ?

(খ) এইটো সঁচানে তিনিটামান ডকাইটি একেলেঠাৰিয়ে হৈছে আৰু এই ডকাইটি ক'ত ক'ত আৰু কোন কোন তাৰিখে হৈছিল জনাব নে?

(গ) যদি সঁচা হয়, কৰ্ত্তৃপক্ষৰ এনে ডকাইটি নিবাৰণৰ কি ব্যৱস্থা লৈছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) তিনিটা ডকাইটি।

(খ) প্ৰথম ডকাইটিটো ২১।৫।৭২ তাৰিখে অমৰাগুৰিৰ শ্ৰীদ্বীজেন্দ্ৰ চন্দ্ৰ মালিকৰ ঘৰত সংঘটিত হয়। ২য়টো ২৪।৫।৭২ তাৰিখে ৰাখালডুবিৰ শ্ৰীনৰেশ চন্দ্ৰ বৰ্ম্মণৰ ঘৰত ঘটে আৰু ৩য়টো ৫।৬।৭২ তাৰিখে কুৰ্চাকাটাৰ ৩ নং গাৰো গাৱঁৰ শ্ৰীআকবৰ আলিৰ ঘৰত হয়।

(গ) প্ৰতিৰক্ষা ব্যৱস্থা হিচাবে ( National High Way ) ত পহৰা দিয়া হৈছে আৰু গাওঁৰক্ষী বাহিনীৰ সৈতে যুতীয়াভাৱে সন্দেহযুক্ত ও বেয়া চৰিত্ৰৰ লোকৰ অনুসন্ধান কৰা হৈছে।

## ৱিষয় : চিনাতলী ষ্টেট ডিচপেঞ্চাৰী।

শ্ৰীনগেন বৰুৱাই সুধিছে :

*২৭৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

(ক) চিনাতলীৰ ষ্টেট ডিচপেঞ্চাৰীখনৰ ঘৰ-দুৱাৰ ভাগি পৰা কথাটো সঁচা নে ?

(খ) যদি সঁচা, ইয়াৰ পুনৰ নিৰ্ম্মাণৰ কোনো ব্যৱস্থা লোৱা হৈছে নে ?

শ্ৰীচত্ৰসিং টেৰণ ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, সঁচা।

(খ) চিনাতলী ৰাজ্যিক চিকিৎসালয়ৰ ঘৰ পুনৰ মেৰামতি কৰি সাজিবলৈ আৱশ্য-

কীয় প্ৰাককলন পুঁজি অসামৰিক শল্য চিকিৎসক যোৰহাটলৈ লিখা হৈছে। উক্ত বিষয়াৰ প্ৰাককলন আহি পালেই চৰকাৰে বিহিত ব্যৱস্থা ল'ব।

**Re : Constitution of Majuli as Tribal Belt**

Shri Mal Chandra Pegu asked :

*275. Will the Minister-in-charge of Revenue be pleased to state whether Majuli in Jorhat Subdivision is proposed to be constituted as Tribal Belt.

Shri Paramananda Gogoi ( Minister, Revenue ) replied :

(a) No.

**Calling Attention**

Mr. Speaker : Question hour is over.

Shri Mal Chandra Pegu : Sir I beg to call the attention of the Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Assam Express' dated 6-6-72 under the caption, "Adi people Ransack villages in Dhemaji Subdivision."

শ্ৰীকেহোৰাম হাজৰিকা : অধ্যক্ষ মহোদয়, মই এটা কথাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে যোৱা কালি যি কেইটা প্ৰশ্ন পেনদিং থাকিলে আজি আমি সেইকেইটা প্ৰশ্ন পোৱা নাই।

মাননীয় অধ্যক্ষ : সেইটো চাব।

Shri Sarat Chandra Sinha : ( Chief minister ). The attention of the Government has been drawn to a news-item appearing in the Assam Express of June 6, 1972 under the caption "Adi people Ransack villages in Dhemaji Subdivision."

According to reports received by the Government, on May 13, 1972 a pair of bullocks belonging to Shri Monjoy Doloy of Milanpur village near Laimekuri Railway Station

under Jonai P. S. was forcilly taken away by some Adis of Arunachal Pradesh. The next day Shri Doloy went to Adi villages to get back his pair of bullocks but these were not returned. Later, for causing damage to the crops of Shri Monai Pasaung, a pair of buffaloes belonging to one Adi was detained by Shri Doloy and kept in the house of one Shri Kuleswar Bori.

On June, 1, 1972 at about 1400 hours some 50 Adis, under the leadership of one Shri Kepiya Yarang and some others of Arunachal reportedly came to Milanpur under Jonai P. S. with a fiew to hold a "kebang bichar" and to take back the pair of buffaloes. Due to opposition from the Michings, the Adis were prevented from carrying out their objective. The Michings also could not succeed in getting back their pair of bullocks. The Adis, it has been further reported, went back with a threat to come back and take vengeance on the villagers.

ইয়াৰ ওপৰিও যিবিলাক মঞ্জুৰী শিলঙৰ পৰা দিয়া হয় সেই মঞ্জুৰী বিলাকৰ উপযুক্ত সময়ত নপঠোৱাৰ কাৰণে ভালধৰণে বিতৰণ কৰিব নোৱাৰে। এই টকাৰ মঞ্জুৰী মাৰ্চিমাহৰ ২৮।২৯ তাৰিখত মহকুমা বিলাকলৈ যায় কিন্তু সেই কম সময়ৰ ভিতৰত টকা বেংকৰ পৰা উলিয়াব পৰা নহয়। গতিকে দেখা গৈছে যে. এই অনুন্নত সম্প্ৰদায়ৰ মানুহবিলাকে বেলেগ সঞ্চালকৰ অবিহনে উন্নতিৰ পথত আগবাঢ়ি যাব নোৱাৰিব। এই অনুন্নত সম্প্ৰদায় বিলাকৰ উন্নতিৰ কাৰণে যদিও চৰকাৰে বহুতো আঁচনি কৰিলে তথাপি কাৰ্য্যক্ষেত্ৰত সেইটো হৈ উঠা নাই। ইয়াৰ ওপৰিও আমাৰ গাওঁ অঞ্চলত যিবিলাক মানুহ আছে সেই সকলে এই বিষয়ে অলপো নাজানে। গতিকে এই আঁচনি বিলাক কৰোঁতে যাতে প্ৰচাৰ কৰাৰ ব্যৱস্থা থাকে তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। চিদিউল কাষ্ট, চিদিউল ট্ৰাইব আৰু আন পিচপৰা সম্প্ৰদায়ৰ নানুহৰ কাৰণে এটা সুকীয়া ডিৰেক্টৰেট কৰিব লাগে যাতে এই লোক সকলৰ উন্নতি হয় আৰু এওলোকে আন উন্নতিশীল জাতিৰ লগত সমানে খোজ মিলাব পাৰে। গতিকে অনতি পলমে চৰকাৰে অনুসূচীত সম্প্ৰদায়, জনজাতি আৰু আন পিচপৰা জাতিৰ কাৰণে বেলেগ সঞ্চালক( Directorate ) ৰ ব্যৱস্থা কৰাৰ কাৰণে উপাধ্যক্ষ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিলে।

( Voice-Mr. Deputy Speaker, Mr. Depty Speaker )

**Mr. Deputy Speaker**: Does the House agree to extend the time ?

( Voice-yes, yes ). There is a certain procedure for half an

hour discussion, I have given 45 minutes. Now, if you want to extend the time, the House must agree to it.

শ্ৰীৰমেশ মোহন কুলি ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো বিষয়ে আলোচনা আনিছে সেইটো মই সমৰ্থন কৰি দু-আষাৰ কব খুজিছো। আশাকৰো চৰকাৰেও এই বিষয়টোৰ প্ৰতি বিশেষ ভাৱে গুৰুত্ব আৰোপ কৰিব বুলি আশা কৰিছো। আজি আমাৰ স্বাধীনতা লাভৰ ২৫ বছৰৰ পাছতো অনুন্নত সম্প্ৰদায় সমূহৰ এটা বেলেগ ডাইৰেক্তৰেট নহল। চিদিউল ট্ৰাইব, চিডিউল কাষ্টৰ ৰক্ষনাবেক্ষনৰ বিশেষ এটা সাংবিধানিক কথা আছে। সেইটোৰ ওপৰত চিডিউল কাষ্ট চিডিউল ট্ৰাইব কমিচনে বাৰে বাৰে ৰিকমেন্দ কৰিছে এইটো চেণ্টেল গৱৰ্নমেণ্টে ও ইমপ্লিমেণ্ট কৰিবৰ কাৰণে কৈছে। কিন্তু অসম চৰকাৰে অনুসূচিত জনজাতি ট্ৰাইবেল আৰু চিডিউল কাষ্টৰ ক্ষেত্ৰত বিশেষ মনোনিবেশ কৰা নাই। সিদিনা অলপতে মূখ্যমন্ত্ৰী, মহোদয়ক সদৌ অসম ট্ৰাইবেল সংঘৰ ফালৰ পৰা সংবিধান সংৰক্ষিত জাতি সমূহৰ ৰক্ষনা বেক্ষনৰ কাৰণে Separate Directorate ৰিবয়াৰ কাৰণে প্ৰতিবেদন দাখিল কৰিছে। আজিও মাননীয় সদস্য সকলে যি কথা দাঙি ধৰিছে সেই গোটেইবিলাক কথা সঁচা আৰু সেই প্ৰতিবেদনত প্ৰকাশ কৰিছে। আজি চিদিউল কাষ্ট, চিদিউল ট্ৰাইব লোকসকলৰ বিশেষ উন্নতি হোৱা নাই। আনহাতে বছৰি বছৰি অজস্ৰ টকা লেপচ হৈ গৈছে। সেইবিলাক ২৮ মাচত চেংচন দিয়াৰ পাছত ৩১ মাৰ্চ তাৰিখে খৰচ কৰাটো সম্ভৱ পৰ নহয়। আনহাতে দেখা গৈছে যে আমাৰ যি "টি, এ, দি ডৱিউ, বি, চি" আদি বিভাগ আছে সেই বিভাগবিলাকত প্ৰকৃততে বৰ্ত্তমান কামকৰা মানুহ নাই। তাত ডেপুটি চেকেটৰি নাই, আন্দাৰ চেকেটৰী নাই, তাৰোপৰি তাত প্লেনিং অফিচাৰ জনকো চাকৰিৰপৰা অব্যাহত লবলে জাননী দিছে। আজি যদি টি, এ, দি বিভাগলৈ যোৱা যায় তেনেহলে কোনো সহাৰি পোৱা নাযায়। অফিচাৰ বিচাৰি নাপায়, আলোচনাৰ কাৰণে সুবিধা নাপায়, এনেকৈয়ে বহুতো বেমেজালি হোৱা দেখা গৈছে। তাৰোপৰি বহুতো টকা পইচা অপব্যয় হৈছে। ইয়াৰ বাহিৰেও ট্ৰাইবেল লোকৰ লৰা ছোৱালীক যি বৃত্তিৰ টকা দিয়া হৈছে সেইবিলাকো তেওঁলোকে সময়মতে নাপায়। কেতিয়াবা এবাৰ পায় আৰু ৰিনিওলেৰ প্ৰশ্ন নুঠে। কিছুমানে ৩ বছৰৰ মূৰত এবাৰ কোনোমতে পায় গতিকে এই 'চিপাৰেট ডিৰেক্তৰৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিয়েই বাৰে বাৰে চৰকাৰক অনুৰোধ জনোৱা হৈছে। আজি অনুন্নত, অনুসূচিত জাতি ও জনজাতি লোক সকলৰ উন্নতিৰ বাবে সমাজবাদৰ নামত

সংবিধানত যিটো কথা কোৱা হৈছে সেইটো নকৰিলে আমি কেনেকৈ পিচপৰা লোক সকলক আগবঢ়াই নিব পাৰিম। গতিকে এই সংবিধানৰ কথাটোৰ ওপৰত ভিত্তি কৰিয়েই এই জাতিসমূহৰ উন্নতি কাৰণে অনতিপলমে এটা সুকীয়া ডিৰেক্তৰেট কৰিব বুলি মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াকে কৈ মই এই আলোচনাটো সমৰ্থন কৰিলো।

শ্ৰীকবিৰ ৰায় প্ৰধানী : মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত প্ৰশ্ন কৰা হৈছে যে, চিদিউল কাষ্ট আৰু চিডিউল ট্ৰাইবৰ চিপাৰেট ডিৰেক্তৰেট কৰিব নেকি? ইয়াৰ উত্তৰত কোৱা হৈছে যে, এই চিপাৰেট ডিৰেক্তৰ কথাটো ভবাই নাই। আমাৰ অসমৰ বেছিভাগ মানুহ পিচপৰা বা অনুন্নত শ্ৰেণীৰ মানুহ। যাৰ বাবে এজন মন্ত্ৰী কেবিনেটলৈ অনা হৈছে। গতিকে আজি চিপাৰেট ডিৰেক্তৰেট পাতি আমাৰ পিচপৰা সম্প্ৰদায় বিলাকক কেনে ধৰনে আগবঢ়াই নিব পৰা যায় তাৰ কাৰণে চিন্তা কৰিব লাগে। আজি গাৱে ভূয়ে থকা পিচপৰা মানুহৰ অৱস্থা দেখিলে দুখ লগা হৈছে। সেই দৃশ্য বিলাক দেখিলে অতি দুখ লাগে। লেখক হোৱা হলে বহুতো লিখিব পাৰিলো হয়। কিন্তু দুৰ্ভাগ্য বশতঃ লেখক নহলো। আজিৰ চৰকাৰৰ কথাই নীতিয়ে দৰিদ্ৰ শ্ৰেণীৰ মানুহক শোষণ কৰিছে। আৰু শোষণ কৰি কৰি শকত হৈছে। সেইবাবেই আজি দেখা গৈছে যে, সকলো বিষয়তে দুনীতি সোমাইছে। আজি পিচপৰা মানুহবিলাকক, অনুসূচিত মানুহবিলাকৰ এটা সুকীয়া ডিৰেক্তৰেট নথকাৰ কাৰণে আগবাঢ়ি যাব পৰা নাই। আমাৰ নতুন মুখ্যমন্ত্ৰী মহোদয়ে নতুন চিন্তাধাৰাৰে আমাৰ ৰাজ্যৰ ষ্ট্ৰাকচুয়েল চেঞ্জ আনিব বুলি আমি আশা কৰি আছো। সকলো কথা বিচাৰ কৰিবৰ কাৰণেই এই সুকীয়া ডিৰেক্তৰেটৰ প্ৰয়োজন হৈ পৰিছে। কিন্তু চৰকাৰে আজি কৈছে যে, সেই কথা আজিলৈকে ভবাই নাই! কিন্তু আমাৰ অসমৰ প্ৰায় শতকৰা ৭৫ ভাগ মানুহেই পিচপৰা, জনজাতি আৰু, অনুন্নত সম্প্ৰদায়ৰ মানুহ। যাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা কমিচন আহিছে। আজি এই অস্পৃশ্য লোক সকলক যাতে আগুৱাই নিব পাৰে তাৰ বাবে চৰকাৰে যাতে যত্ন কৰে তাৰ বাবে দৃষ্টি আৰ্কষণ কৰিলো।

**Mr. Deputy speaker : The House Stands adjourned till 2 p. m**

**( The House reassembled at 2 P. M. with Mr. Deputy Speaker in the Chair ).**

শ্ৰীকবিৰ ৰায় প্ৰধানী : উপাধ্যক্ষ মহোদয়, আপুনি জানে যে অনুসূচিত জাতি আৰু আন আন পিচপৰা সম্প্ৰদায়ৰ পৰিস্থিতি কেনেকুৱা। গতিকে মই

এইটো অনুধাবন কৰি দেখিছো আৰু শুনিছো যে পিচপৰা জাতি আৰু আন আন সম্প্ৰদায়ৰ মানুহ বিলাকে এই কথা লৈ মনে মনে দুখ কৰি থাকে। আজি তেওঁলোকক চাওঁতা বা দেখোতা কোনো মানুহ নাই। আজি ২৫ বছৰৰ ভিতৰত শিক্ষাৰ ক্ষেত্ৰতে শতকৰা এক বাঢ়িছে. অৰ্থাৎ ২৭ ৰ পৰা ২৮ হৈছে। পিচ পৰা এটা বিৰাট সম্প্ৰদায়ৰ কাৰণে এই খিনি একো নহয়। শতকৰা ২০-২৫ ভাগ আন আন সম্প্ৰদায়ৰ মানুহ আছে, তেওঁলোকৰ বাঢ়িছে; কিন্তু তেওঁলোকৰ '০০১ বঢ়া নাই। গতিকে মই কওঁ পিচ পৰা মানুহ খিনিক আজি বাদ দিয়ক। এই পিচ পৰা মানুহ খিনিক চৰকাৰৰ তৰফৰ পৰা কিবা এটা ব্যৱস্থা কৰাৰ কোনো চিন্তা হোৱা নাই। কিন্তু অনুসূচিত জাতি. পিচপৰা জাতি আৰু জনজাতি বুলি এনেয়ে ভাগ ভাগ কৰি চৰকাৰে মৌলিক ভাল পোৱা মাথোন দেখুৱাইছে এই বিলাক কৰাৰ কোনো অৰ্থ নাই। বাহিৰে মতৰম দেখুৱাইছে কিন্তু এই সম্প্ৰদায়ৰ কাৰণে আচলতে চৰকাৰে একো কৰা নাই।

স্বাস্থ্যৰ ক্ষেত্ৰতে চাওক এই সম্প্ৰদায়ৰ মানুহৰ স্বাস্থ্য কেনে। তেওঁলোকে খাই কি, তেওঁলোকৰ পৰিয়ালে ভৰণ পোষণ দিছে কেনেকৈ এই বিষয়ে চৰকাৰে কোনো চিন্তা কৰা নাই। এই সম্প্ৰদায়ৰ পৰা এজন মন্ত্ৰী দিছে কিন্তু এজনো ডিৰেক্টৰ দিয়া নাই। এজন ডিৰেক্টৰ নোহোৱাৰ ফলতেই কিমান বেক ওৱাৰ্ড কাষ্টৰ মানুহ আছে; কিমান পিচপৰা সম্প্ৰদায়ৰ মানুহে চাকৰী পাইছে তাৰ একো হিচাব নাই। সেই ক্যৰণেই বিএ এমএ, পাছ কৰা লৰায়ো আজি চাকৰী পোৱা নাই। এই পিচপৰা সম্প্ৰদায়ৰ এজন ডিৰেক্টৰ থকা হলে বেৰেনেটৰ দৰে কাম কৰিলেহেতেন। তদুপৰি দূনীৰ্তিও এনেয়ে কমিলেহেতেন। সেয়েহে মই কওঁ সকলো সম্প্ৰদায়ৰ মানুহকে সমান চকুৰে চাব লাগে। শিক্ষাৰ ক্ষেত্ৰত যিবিলাক ষ্টাইপেণ্ড দিয়া হয় সিও হাতীৰ মুখত দুৰ্বা মাহৰ দৰে। দুৰ্বা ঘাহ দিলেই হাতীৰ পেট নভৰে, হাতীক কল গছ লাগে। একেদৰেই এই পিচপৰা শ্ৰেণীৰ মানুহ খিনিক হৃষ্ট পুষ্ট কৰাৰ প্ৰয়োজন চৰকাৰে নেদেখে। অৰ্দ্ধ মৃত কৰি জীয়াই ৰখাতকৈ মাৰি পেলোৱাই ভাল। ডাঙৰ মাছৰ মুখৰ পৰা সৰু মাছক জীয়াই ৰাখিবলৈ কোঠালী কৰি দিয়া হয়। অৱশ্যে মই কব খোজা নাই যে পিচ পৰা মানুহ খিনিক উন্নত মানুহ খিনিয়ে খাই পেলাব।

খেতিয়কে নানা কষ্ট কৰি মৰাপাটৰ খেতি কৰে, কিন্তু তেওঁলোকে তাৰ নাৰ্য্য প্ৰাপ্য নাপায়, মাজতে যিবিলাকে ব্যৱসায় কৰে অৰ্থাৎ মাৰোৱাৰীয়ে মাজত সোমাই সেই বিলাক সুলভ মূল্যতে লৈ যায়। মাছ মৰা মানুহে দিনে নিশাই

পানীত তিতি মাছ মাৰে, অথচ তেওঁলোকে তাৰ নাৰ্য্য প্ৰাপ্য নাপায়। এই বিলাক বৰ মৰ্ম্মন্তক কথা। মোৰ নিচিনা আৰু অনেক পিচ পৰা সম্প্ৰদায়ৰ লৰা আছে। ১৯৫২ চনত এই এচেমব্লি যেনেকুৱা আছিল আজি তেনেকুৱা নহয়, আজি ইয়াত সৰ্ব্বসাধাৰণ মানুহো আছে, অদূৰ ভবিষ্যত শতকৰা এশ ভাগেই আহিব। আজি ২৫ বছৰৰ ভিতৰত এই পিচ পৰা সম্প্ৰদায়ৰ পৰা এজনো ডিৰেক্টৰ নোহোৱাৰ কাৰণেই আজি এই সম্প্ৰদায়ৰ অৰ্থনৈতিক দুৰবস্থা হল। এই বিলাক কথা চৰকাৰে ভালকৈ চাব লাগে। চেক্ৰেটৰীৰ লেভেলত যাৰ মানুহ আছে সেই-সকলৰ মেট্ৰিক পাছ লৰায়ো চাকৰী পায় আৰু যাৰ মানুহ নাই তেওঁলোক বিএ এন এ পাছ হলেও চাকৰী নাপায়। আজি ২৫ বছৰৰ ইতিহাস পঢ়িলে দেখা যায় দেশ খনৰ মানুহক এক জাতি আৰু এক প্ৰাণ কৰাৰ আৱাজ দি অহা হৈছে, গাখীৰৰ চানা খিনি খাই গাখীৰখিনি এই সম্প্ৰদায়ক দিয়াৰ ব্যৱস্থা কৰা হৈছে। ফলত অনুসূচীত মানুহ খিনিয়ে যি খিনি সুবিধা পাব লাগে সেই সুবিধা খিনিৰ পৰা বঞ্চিত কৰি অহা হৈছে।

কাকা কালালকাৰ চাহাবৰ ৰিপৰ্ট পঢ়িলে চকু পানী ওলাব। তেখেতে যি বিলাক পৰামৰ্শ দিছিল সেই বিলাক কাৰ্য্যকৰি কৰা নাই। এই দৰেই সংখ্যা লঘিষ্ঠ সম্প্ৰদায়ে সংখ্যা গৰিষ্ঠ সম্প্ৰদায়ক প্ৰবঞ্চনা কৰি আহিছে। আমি অপজিচনৰ পৰা এই মৰ্মে বহুবাৰ কৈ আহিছো কিন্তু সংখ্যা গৰিষ্ঠ কংগ্ৰেছ পাটিৰ চৰকাৰে বিৰোধী দলৰ কথা মনা নাই। সেই দৰেই শতকৰা ৮০ ভাগ পিচপৰা মানুহৰ কথালৈ কাণ দিয়া নাই। এই বিলাক গনতান্তিক কথা নহয়। হাজাৰ হাজাৰ পিচপৰা মানুহে মিটিং কৰি তেওঁলোকৰ ভইচ চৰকাৰে নামানে কিন্তু চহৰ অঞ্চলত শৰ্মা, মুখাৰ্জি, বেনাৰ্জিকে আদি কৰি কম সংখ্যক মানুহ হলেও মিটিঙৰ কথা বাতৰি কাকতত প্ৰকাশ পাই আৰু সেই মতে কাম কৰে। আজি এই বিলাক অন্যায় অবিচাৰ আমি দেখি আহিছো। গতিকে মই চৰকাৰক সাৱধান কৰি দিব খুজিছোঁ যে এই বিলাক চিৰকাল নাথাকিব। বৰ্ত্তমান মন্ত্ৰী সভাখনক পিচপৰা সম্প্ৰদায়ৰ বহুতো আছে আৰু ৰাইজেও ভাবিছে এই বাৰ কিছু কাম হব। কিন্তু যদি চৰকাৰে একো নকৰে তেতিয়াহলে এই চৰকাৰে বেচি দিন টিকি থাকিব নোৱাৰিব। আজি স্বাধীনতাৰ ২৫ বছৰৰ পিচতো এই পিচপৰা সম্প্ৰদায় বিলাক যেনে চিডুল ট্ৰাইব, চিডুল কাষ্ট আৰু অন্যান্য পিচপৰা সম্প্ৰদায় বিলাকৰ কোনো উন্নতি নহল। এওঁলোকৰ উন্নতিৰ কাৰণে মই চৰকাৰৰ এই

সম্পৰ্কীয় তথ্য পাতি উলিয়াই উন্নয়ন মূলক কামৰ আচনি লবলৈ আহবান কৰোঁ। এই প্ৰসংগত কবি গুৰু ৰবিন্দ্ৰ নাথ থাকুৰৰ এষাৰি কথালৈ মনত পৰিছে।

"যাৰে তুমি পশ্চাতে ফেলেছ সে তোমাৰে টামিছে পশ্চাতে"।

এই বাক্যটোলৈ মই পুনৰ সোঁৱৰাই দিছো। কাৰণ আজি যি বিলাক মানুহক পিচপেলাই ৰখা হৈছে সেই মানুহ বিলাকে চৰকাৰক পিচলৈ টানিব। ইয়াকে কৈ মই শেষ কৰিলো।

**শ্ৰীপিটচিং কোৱঁৰ :** এই মোচনটোত কোৱা হৈছে যে এই বিভাগটোৰ কাৰণে এজন ডিৰেক্টৰ লাগে। কিন্তু মই কব খুজিছো যে কেৱল এটা জাতিৰ কাৰণে এজন ডিৰেক্টৰ হব নোৱাৰে, বিশেষকৈ এই অৰ্থ সংকটৰ দিনত। এই চিডুল কাষ্ঠ চিডুল ট্ৰাইবচ আৰু বেকৱাৰ্ড লোকসকলৰ কাম চৰকাৰৰ টি, এ, দাবলিও বি চি বিভাগে কৰিছে। এই সম্পদায় বিলাকৰ উন্নতিৰ কাৰণে বহুতো টকা দিয়া হয়। কিন্তু আদাৰ বেকৱাৰ্ড জাতিক বেলেগে টকা নিদি স্কলাচিপহে দিয়া হয়। এই বিভাগটোৱে টকা বিতৰণ কৰে কিন্তু সেই টকা কেনেকৈ ব্যৱহাৰ হয় সেইটো নাজানো। এই বিভাগটো অতিকৈ হেল্পলেচ আৰু হোপলেচ বিভাগ। গতিকে চৰকাৰে এই বিভাগে কি কৰিছে নকৰিছে চৰকাৰে নাজানে। অতিজতে এই বিভাগত আছিল শ্ৰীবিষ্ণু ৰাম মেধীৰ হাতত। তাৰপিচত শ্ৰীঅমিয় কুমাৰ দাসে এই বিভাগ চলাইছিল। তাৰ পিচত বৰ্ত্তমান মেঘালয়ৰ মুখ্য মন্ত্ৰী শ্ৰীউলিয়ামচন চাংমাই চলাইছিল। তাঁৰ পিচত আছিল শ্ৰীতেৰন দাওৰীয়া আৰু তেতিয়া ডিপুতি মিনিষ্টাৰ আছিল ললিত দলে। তাৰ পিছত শ্ৰীবমেন্দ্ৰ বসুমতাৰি, ৰাজ্যিক মন্ত্ৰী আৰু এইবাৰ শ্ৰীব্ৰহ্ম ডাওৰীয়া আহিছে। এতিয়া আতাইতকৈ এই সকলৰ ভিতৰত কাৰ দিনত বেচি টকা চাৰেণ্ডাৰ কৰা হৈছিল। আমাৰ দ্বিতীয় পৰিকল্পনাৰ কালছোৱাত চাৰে ১৬ লাখ টকা খৰচ কৰিব নোৱাৰাৰ কাৰণে চাৰেণ্ডাৰ কৰিব লগীয়া হৈছিল। তৃতীয় পৰিকল্পনাত ২০ লাখ ৯০ হাজাৰ টকা চাৰেণ্ডাৰ কৰিব লগীয়া হৈছিল। তাৰ পিচত ৩২ লাখ ১ হাজাৰ টকা চাৰেণ্ডাৰ কৰিব লগীয়া হৈছিল। তাৰ পিচত চেনট্ৰেল চেক্টৰত ১৯৫৬ ৰ পৰা ৬১ চনলৈকে ২ লাখ ১২ হাজাৰ টকা চাৰেণ্ডাৰ কৰা হৈছিল। তাৰ পিচৰ বছৰত ৭৪ হাজাৰ টকা চাৰেণ্ডাৰ কৰা হৈছিল। তাৰ পিচত ১১ লাখ ৩৪ হাজাৰ টকা চাৰেণ্ডাৰ কৰা হৈছিল। সকলো মিলি ৮১ লাখ টকা চাৰেণ্ডাৰ কৰা হৈছিল। এই দৰে বছৰৰ পিচত বছৰ কৈ চাৰেণ্ডাৰ কৰি গৈছে। এনেকুৱা হলে এই জাতিটোৰ কি উন্নতি হব পাৰে। এই টকা আমাৰ ষ্টেটৰ টকা নহয়। চাপ্লিমেণ্টাৰীৰ আচনিৰ কাৰণে এই টকা

দিয়া হয়, এই টকাৰ এলটমেণ্ট হয়, কিন্তু তাৰ পিচত এই টকা কলৈ যায় কোনেও খবৰ নাৰাখে। বিহাৰত চচিয়েল ওৱেলফেয়াৰ বিভাগে এই বিলাক কাম কৰে। এই বিভাগে বিহাৰৰ চিডুল কাষ্ঠ, চিডুল ট্ৰাইবচ আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কাৰণে মনোযোগেৰে চায়। তেওঁলোকে টকা খৰচ কৰোতে এই সম্প্ৰদায় বিলাকক সহানুভূতিৰ চকুৰে চাই আৰু এই সম্প্ৰদায় বিলাকৰ কাৰণে মাটি বাৰী চাকৰী আদি পোৱাত সহায় কৰে। গতিকে তেওঁলোকৰ এই পিচপৰা সম্প্ৰদায় বিলাকৰ যথেষ্ট উন্নতি হৈছে। আমাৰ ইয়াত এটা চচিয়েল ওৱেলফেয়াৰ বিভাগ আছে সঁচা কিন্তু এই বিভাগটো বৰ সৰু। আমাৰ বাজেটত এই বিভাগটোৰ কাৰণে মাত্ৰ ১০ লাখ টকাহে এলটমেণ্ট কৰিছে। এই বিভাগটোত চেক্ৰেটাৰী আৰু ডিৰেক্টৰো আছে। কিন্তু দাবলিও বি চিৰ কাৰণে ১ কোটি ৭ লাখ টকা দিছে, তথাপি তাত চেক্ৰেটাৰী ডিৰেক্টৰ কোনো নাই। আৰু কোনো আহিব নোখোজে। আগতে জীৱন হাজৰীকা নামৰ এজন আছিল। তেওঁ গুচি যোৱাৰ পাচত এই বিভাগলৈ কোনো আহিব নোখোজে কাৰণ এই বিভাগটো বোলে গালি খোৱা বিভাগ। এই চিডুল কাচট, চিডুল ট্ৰাইবচ আৰু অ বি চিৰ কাৰণে তিনিখন কাউনচিল আছে। তাৰে এখনৰ মন্ত্ৰীয়ো চেয়াৰমেন অ বি চিত মুখ্য মন্ত্ৰীৰ বাহিৰে ৰাজহ শিক্ষা আৰু লেবাৰৰ মিনিষ্টাৰ সকলো আছে।

গতিকে এইটো এটা মুধাফুটা বিভাগ। ডাঙৰ ডাঙৰ বিষয়া লৈ কাউনচিল গঠন কৰি দিছে কিন্তু আমি দেখিছো এনে ভাবে কাম কৰোতে তাত বহুতো খেলি মেলিৰ সৃষ্টি হৈছে। গতিকে এই পিচপৰা সম্প্ৰদায় বিলাকত কল্যানকামী কাম বিলাক যথা যথ ভাবে সম্প্ৰন্ন কৰিবৰ বাবে এটা সুকীয়া ডিৰেক্টৰেট কৰিব লাগে। ইতিপুৰ্ব্বে এই সম্পৰ্কে আমাৰ ট্ৰাইবেল কাউনচিলৰ পৰা পৰামৰ্শ দিছেই। এই খিনিকেই মই দাঙি ধৰিলো।

* শ্ৰীলীলা কান্ত দাস : মাননীয় উপাধ্যক্ষ মহোদয়, অনুসুচিত জাতি আৰু জনজাতিৰ সুকীয়া ডিৰেক্টৰেট খোলাৰ বিষয়ে যোৱা ২২ জুন তাৰিখে যি প্ৰশ্নৰ উত্তৰ বিভাগীয় মন্ত্ৰীয়ে দিছে তাৰ ভিত্তিত বৰ্ত্তমান আলোচনা হৈছে। এটো স্পষ্ট কথা যে আমাৰ দেশখনক আগবঢ়াই নিবলাগিব, সকলো ক্ষেত্ৰতেই। আৰু আমাৰ দেশৰ মানুহৰ যি বৈষম্য আছে সেইটো নিৰ্ম্মুল হবলাগিব। সেইটো কেৱল আমাৰ কথা নহয় সেইটো আমাৰ দেশৰ, আমাৰ ৰাষ্ট্ৰৰ কথা। কিন্তু আজি ২৫ বছৰেও এই একে কথাকেই গাই আহিছে বাস্তৱত ৰূপ দিব পৰা নাই। এই কথা

---

*Speech not corrected

ভাৰতৰ সকলো বিধান সভা আৰু পাৰলিয়ামেণ্টত আলোচনা কৰা হৈছে। এই অনু-সূচীত জাতি আৰু জনজাতি আৰু পিচপৰা মানুহসকলৰ উন্নতিৰ কাৰণে ৰাজ্যিক চৰকাৰে সুকীয়া বিভাগ খুলিব লাগে। উপাধ্যক্ষ মহোদয় বৰ দুখৰ বিষয় কেন্দ্ৰীয় চৰকাৰ ৰাজ্যিক চৰকাৰ উভয়ে আনকি এই সমাজ উন্নতিৰ কাৰণে পঞ্চবাৰ্ষিক পৰিকল্পনা আৰু চতুৰ্থ বাৰ্ষিক পৰিকল্পনাত অৰ্থ মঞ্জুৰী দিছিল। কিন্তু সেই অৰ্থ মঞ্জুৰীৰ ফলত কি হ'ল? সেই সম্পৰ্কে চোৱাৰ কাৰণে কোনো বিভাগ আজিলৈকে নোলাল। এই অনুসূচীত পিচপৰা জনজাতি ভাৰতবৰ্ষত শতকৰা ১২ ভাগ। এই মানুহখিনি আজি যি দুৰৱস্থাত আছে তাৰ উন্নতিৰ কাৰণে কোনোৱেই চেষ্টা কৰা নাই। অসমদেশৰ ক্ষেত্ৰত সেই একেই অৱস্থা হৈছে। আজি অনুসূচীত জনজাতিৰ সংৰক্ষিত প্ৰতিনিধী কৰিছে। আমাৰ জনজাতিয় ১০ জন আৰু অনুসূচীত জনজাতীয় ৮ জন সমুদায় আমি ১৮ জন প্ৰতিনীধি আছো। আজি এই বিৰাট এলেকাৰ প্ৰতিনীধি স্বৰূপে মাত্ৰ আমি মুষ্টিমেয় কেইজনমান। গতিকে নিজৰ নিজৰ অঞ্চলকেইটাৰ উন্নতিৰ বাবে চকু দিয়াৰ বাহিৰে বাকীবোৰ এলেকা পিছপৰা আৰু ই সদায় পিছপৰিয়েই থাকিব। সেই কাৰণে আমাৰ চৰকাৰে সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত অনুসূচীত জাতি আৰু জনজাতিসকল আগবাঢ়ি যাব পৰাকৈ বিশেষ ভাবে চকু দিয়াটো নিতান্ত আৱশ্যক। গতিকে এই ব্যৱস্থা সুকলমে কৰিবলৈ হলে সুকীয়া সচিবালয় এটা খোলা উচিত। এইটো নকৰাৰ বাবেই বৰ্ত্তমান খেলিমেলিৰ সৃষ্টি হৈছে আৰু টকা-পইচাৰ অপচয় হৈছে। সেই বাবেই মই জনজাতিৰ উন্নয়নৰ অৰ্থে বিশেষভাৱে কল্যাণকাৰী ব্যৱস্থা লবলৈ চৰকাৰক অনুৰোধ কৰিছো। কাৰণ যিবিলাক ব্যৱস্থা চৰকাৰে লৈছে, নানাধৰণৰ মঞ্জুৰী দিছে সেই অৰ্থ কিহত খৰছ কৰিছে বা কত হোৱা নাই, যিবিলাকত খৰছ কৰা হৈছে তাত সেই বিলাক কাৰ্য্যকৰী হৈছেনে নাই এই বিলাক সুন্দৰ ভাৱে পৰীক্ষা নিৰীক্ষা আদি কৰিবলৈ কোনো বিভাগ নাই আৰু আঁচনি সমূহৰ কোনো সন্দেহই এই জনজাতিৰ লোকসকলে গম নেপায়। কেইজনমান সদস্য হৈছে সেইকেইজন মুষ্টিমেয় লোকেহে গম পায়। তাৰোপৰি, তেওঁলোকেও যে এই জাতিৰ উন্নতি কৰিব তাক মই ডাঠি কব নোৱাৰো। সৰুসুৰা অঞ্চল একোটাৰ উন্নতি হলেও গাৰে-ভূৰে, চুকে-কোনে থকা লোকসকল ৰৈ যাব। সেইকাৰণে মই মাননীয় মন্ত্ৰীমহোদয়ক অনুৰোধ কৰো যে জনজাতীয় কল্যাণৰ কাৰণে এই বছৰৰ ভিতৰতেই কাৰ্য্যকৰী ব্যৱস্থা হাতত লয়। কাৰণ আমি সমাজত এটা বেলেগ নাম লৈ জীয়াই থাকিবলৈ ইচ্ছা নকৰো। সাধাৰণ সমাজৰ লগত নিজকে বিলাই দি আমিও

জীয়াই থাকিবলৈ ইচ্ছা কৰো। সেই কাৰণেই এই জাতিটোৰ উন্নতিৰ কাৰণে অতি সোনকালে এটা সুকিয়া সচিবালয় খুলিব বুলি মই আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমতী তৰুলতা বৰা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২২ জুন তাৰিখে বিভাগীয় মন্ত্ৰী মহোদয়ে দিয়া প্ৰতিবেদনৰ ওপৰত দুষাৰ কব খুজিছো। আমি আলোচনা প্ৰসঙ্গত ধৰ্ম্ম-নিৰপেক্ষতাৰ কথা পাহৰি গৈছো। এই সদনত জাতি উপ-জাতিৰ কথা আলোচনা কৰিছো। অনুন্নত জাতি উপজাতি সকলক আগুৱাই নিবৰ কাৰণে যি ব্যৱস্থা লব লাগে সেই ব্যৱস্থা হাতত লোৱা নাই। তাৰ বাবে বি ধৰণৰ আচঁনি লব লাগিছিল সেই ধৰণে আচঁনিও লোৱা হোৱা নাই। অসম ৰাজ্যত কিছুমান বিৰাট পিচপৰা অঞ্চল আছে। এই বিৰাট পিচপৰা অঞ্চল বিলাকত কোনো ইণ্ডাষ্ট্ৰি গঢ়ি উঠা নাই আৰু তেনেকুৱা কোনো সৰু সুৰা উদ্যোগ হোৱাৰো কোনো আশা নাই। আমাৰ কিছুমান ঠাইত ট্ৰাইবেল বেল্ট হিচাবে ঘোষণা কৰিছে। শেই ঠাইবিলাকত টাউন গঢ়ি উঠাৰ কোনো সুযোগ সুবিধা নাই সকলো সংমিশ্ৰণত আহিলে সংস্কৃতিৰ বিনিময়ৰ যোগেদিহে জাতি সমুহৰ উন্নতি হয়। সেই কাৰণে অনুন্নত জাতি উপজাতি সকলৰ উন্নতিকল্পে এটা বেলেগ ডিৰেক্টৰেট্ কৰক আৰু আগবঢ়াই নিবৰ কাৰণে আঁচনি তৈয়াৰ কৰক। জনজাতি সকলৰ কাৰণে মেডিকেল কলেজ বা ইঞ্জিনিয়াৰিং কলেজত আচুতীয়া চিট ৰাখে। ঠিক সেইধৰণে অনুসূচীত জাতি আৰু পিচপৰা জাতিৰ বাবেও আচুতীয়া চিট্ ৰখাৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পাছত সুকীয়া সঞ্চালকৰ কাৰ্য্যালয় স্থাপন কৰি তাত এজন সঞ্চালক নিয়োগ কৰি এই জাতি সমুহৰ কল্যাণমূলক আঁচনি কৰিব বুলি আশা ৰাখিলোঁ। এই খিনিকে কৈ মই বক্তব্য সামৰিলোঁ।

* শ্ৰীজগদীশ দাস ঃ উপাধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত যিসকল মাননীয় সদস্যই অংশগ্ৰহণ কৰিলে তেখেতসকলক মই ধন্যবাদ জ্ঞাপন কৰিছো। এই বিষয়ে যোৱা পাঁচ বছৰৰ পৰা সদস্যসকলে আৰু এড্ভাইচেৰী কাউন্সিলে দাবী কৰি আহিছে যে এটা বেলেগ ডিৰেক্টৰেট্ কৰি দিব লাগে। কিন্তু এই দাবী চৰকাৰে উলংঘা কৰি আহিছে। কংগ্ৰেছৰ ৮ জন অনুসূচীত সদস্যও আজি সদনৰ মজিয়াত দাবী কৰিছে যে এখন বেলেগ ডিৰেক্টৰেট্ হব লাগে। মুখ্যমন্ত্ৰীৰ পৰা এই ক্ষেত্ৰত মই স্পষ্টীকৰণ বিচাৰিছো যে যদি এইটো কৰি দিব নোৱাৰে এই

*Speech not corrected

জাতিটোৰ কল্যাণৰ কাৰণে যিমানখিনি ত্যাগ স্বীকাৰ কৰিব লাগে তাৰ বাবে প্ৰস্তুত আছোঁ। আৰু তাৰ বাবে যি ব্যৱস্থা লব লাগে আমি লম।

উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান আমাৰ এই জনকল্যাণ পৰিক্ৰমা বিভাগৰ প্ৰশাসনিক গাথনি সম্পৰ্কে বিভিন্ন মাননীয় সদস্যই অংশ গ্ৰহণ কৰি তেখেত সকলে এই প্ৰশাসনিক ব্যৱস্থাত অসুবিধাতোৰ সম্পৰ্কে আলোচনা কৰাৰ বাহিৰেও বহুতো পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে তেখেতসকলক মই আন্তৰিক ধন্যবাদ জনাইছোঁ। তেখেতসকলৰ ভাষণৰ পৰা এটা কথা স্পষ্ট হৈছে যে বিশেষকৈ অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায় সকলৰ কাৰণে চৰকাৰৰ ফালৰপৰা যি সুকীয়া সুবিধা দিয়াৰ ব্যৱস্থা আছে, সেই সুবিধাবোৰ পৰিচালনা কৰিবলৈ সঁচাকৈ বেলেগ সঞ্চালকৰ আৱশ্যক বুলি তেখেত সকলে দাবী কৰি আহিছে। মই আপোনালোকক বিশেষ ভাবে জনাও যে আগতেও এই সম্প্ৰদায় বিলাকৰ উপদেষ্টা পৰিষদ টোৰেও এই বিষয়ে দাবী কৰিছে আৰু সেই দাবীৰ পৰি-প্ৰেক্ষিতত বৰ্ত্তমান আমাৰ চৰকাৰে এই বিভাগ পৰিচালনাৰ কাৰণে এটা বিশেষ 'চেল' গঠন কৰি তাৰ দ্বাৰা প্ৰশাসনিক ব্যৱস্থা চাল কৰিব পৰা যাব নে নাযায় সেই বিষয়ে পৰীক্ষা কৰি এটা আচনি কৰা হৈছে। সেই আঁচনিমতে আমাৰ এজন প্লেনিং অফিছাৰ নিযুক্তি পাইছিল আৰু সেই অফিচাৰজনে এতিয়াও কাম কৰিয়েই আছে।

শ্ৰীৰমেশ মোহন কুলি: প্লেনিং অফিছাৰজন এতিয়াও কাম কৰি আছেনেকি?

শ্ৰীউত্তম চন্দ্ৰ বৰ্ম্ম (মন্ত্ৰী): প্লেনিং অফিছাৰজনৰ পদটোও আছে আৰু মানুহ জনেও কাম কৰি আছে।

শ্ৰীমতী ৰেণুকাদেবী বৰকটকী: তেখেতে কি কাম কৰে?

শ্ৰীউত্তম কুমাৰ ব্ৰহ্ম (মন্ত্ৰী): তেখেতে বিভাগৰ কাম কৰি আছে। আজি মাননীয় সদস্যসকলে এই সদনত যি পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ অনুসৰি বেলেগ এটা সঞ্চালক গঠন সম্ভৱ হবনে নহয় সেইটো চৰকাৰে পৰীক্ষা কৰি চাব। এই কেইবছৰ চলি অহা নিয়ম মতে আৰু আমাৰ সংবিধানৰ ধাৰামতে অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ কাৰণে যি আচুতীয়া সুবিধা আছে সেই আচুতীয়া সুবিধা বিলাক বিশেষকৈ উন্নয়ণমূলক কাম বিলাক বিভিন্ন বিভাগৰ দ্বাৰা পৰিচালিত হয় আৰু সেই বিভাগৰ দ্বাৰাই কাম বিলাক সম্পূৰ্ণ কৰা হয়। কিন্তু বিভিন্ন বিভাগবোৰে যি আঁচনি সম্পাদিত কৰিলেও সেইবিলাক

আঁচনিত কিছু কিছু ক্রটী-বিচুৰ্তি অহাৰ কাৰণে আমাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পঞ্চ-বাৰ্ষিক পৰিকল্পনাত কিছু টকা চাৰাণ্ডাৰ কৰিব লগীয়া হৈছে।

মাননীয় সদস্য বন্ধু সকলে কৈছে যে এই অনুসুচিত সম্প্ৰদায় অনুসুচিত জনজাতি আৰু পিছপৰা সম্প্ৰদায়ৰ লোকসকলৰ আৰ্থিক অৱস্থাৰ উন্নতি আৰু সামাজিক পৰিবৰ্ত্তন এতিয়াও হোৱা নাই। যদি আজি আমি দেশখনৰ কথা চিন্তা কৰো অৰ্থাৎ দেশৰ মানুহবিলাকৰ অৱস্থালৈ চাও তেতিয়া কি দেখিছো, যে আমাৰ দেশৰ সকলো সম্প্ৰদায়ৰে আৰ্থিক অৱস্থা সম্পুৰ্ণ ভাল নহয়। অৱশ্যে এই অনুসুচিত জাতি আৰু জনজাতি সকলৰ আৰ্থিক অৱস্থা সামাজিক অবস্থা বেয়া হোৱা কাৰণে তেওঁলোকক যাতে অন্যান্য সম্প্ৰদায়ৰ লগত সমানে আগুৱাই যাব পাৰে তাৰ কাৰণে বিশেষ সুবিধা দিয়াৰ ব্যৱস্থা সংবিধানত আছে আৰু সংবিধানৰ বিশেষ সুবিধা অনুসৰি আজি অনুসুচিত জন-জাতি, অনুসুচিত সম্প্ৰদায় আৰু অন্যান্য পিচপৰা সম্প্ৰদায় লোক সকলৰ কাৰণে এটা পৰিপুৰক হিচাৱে কিছুমান উন্নয়ন মূলক কামৰ কাৰণে সাহাৰ্য্য মূলক ব্যৱস্থা চৰকাৰে আগবঢ়াই আহিছে।

(ভইচ—স্পীকীয়া সঞ্চালকৰ বিষয়ে দেখোন একো নকলে)

বৰ্ত্তমান ৫ বছৰীয়া পৰিকল্পনাৰ প্ৰথম পৰিকল্পনাত এল'কেশ্যান আছিল ৪৭২,৯৪ লাখ টকা আৰু খৰচ হৈছিল ৪২৫,৪০ লাখ টকা। দ্বিতীয় পৰিকল্পনাত এল'কেশ্যান আছিল ৯৫০ লাখ টকা আৰু খৰচ হৈছিল ৭৫৫,৯৯ লাখ টকা। তৃতীয় পৰিকল্পনাত ১০০০৩০ লাখ টকা ধৰা হৈছিল আৰু খৰচ হৈছিল ৯৪৪,৬৭ লাখ টকা। এড-হক প্লেনৰ ভিতৰত ১৩৫ লাখ টকা ধৰা হৈছিল আৰু খৰচ হৈছিল ১৮৭,৫৭ লাখ টকা আৰু ৪ৰ্থ পৰিকল্পনাত ধৰা হৈছে ৫ শ লাখ টা অৰ্থাৎ ৫ কোটি টকা।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: এই ৫কোটি কেৱল জনজাতিয় লোকৰ কাৰণে নেকি?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী): এই তিনিটা শ্ৰেণীৰ কাৰণে, অনুসুচীত জাতি আৰু জনজাতি আৰু পিছপৰা লোকৰ কাৰণে ধৰা হৈছে!

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসংখ্যা কিমান?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী): সেইটো কব নোৱাৰি, কিন্তু অনুসুচীত জাতি আৰু জনজাতি সংখ্যা লোকপিয়ল মতে কব পাৰি।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: ৫ কোটি টকা নাৰ্য্য হৈছে বুলি ভাবেনে?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী): এইটো আমাৰ দেশৰ যি খিনি সম্পদ আছে সেই সম্পদ অনুসৰি প্ৰতি ৰাজ্যত ভাগ কৰি দিয়া হয় আৰু সেই মতে আজি আমি এইখিনিকে পাইছো। চাকৰীৰ ক্ষেত্ৰত, বিশেষকৈ জনসংখ্যাৰ ভিত্তিত অনুসুচিত

জাতিৰ কাৰণে শতকৰা ৭ ভাগ আসন আৰু জনজাতিয় সকলৰ কাৰণে শতকৰা ১০ ভাগ আসন সুকীয়াকৈ ৰখা হৈছে। ইয়াত অনুসূচিত জাতিৰ কাৰণে ১৯৬৮ চনৰ ৩১ মাৰ্চলৈকে শতকৰা ৭ ভাগৰ, ভিতৰত শতকৰা ৬ ভাগ পূৰণ কৰা হৈছে আৰু জনজাতিয় সকলৰ কাৰণে শতকৰা ১০ ভাগৰ ভিতৰত ১৯৬৭ চনলৈকে শতকৰ চাৰে সাত ভাগ পূৰণ কৰা হৈছে।

এতিয়া এই সুবিধা দিয়াৰ উপৰিও কাম হিচাবে অনুসূচিত জাতি আৰু জনজাতি লোক সকলৰ কাৰণে চাকৰীৰ ক্ষেত্ৰত আৰু অন্যান্য আৰ্থিক সংকৰণৰ যিবিলাক সুবিধা দিয়া হয় সেই সুবিধা বিলাক যাতে থিকমতে পাব পাৰে তাৰ বাবে বিভিন্ন বিভাগে যাতে থিক মতে কাম কৰে তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা বিষয়া সকলক নিৰ্দ্দেশ দিয়া হৈছে। মই আশাকৰো যদি এই নিৰ্দ্দেশ মতে কাম হয় তেতিয়াহলে চাকৰীৰ ক্ষেত্ৰতেই হওঁক বা অন্যান্য ক্ষেত্ৰতেই হওক যিবিলাক ব্যৱস্থা এই লোক সকলৰ কাৰণে সুকীয়াকৈ ৰখা হৈছে সেই মতে এই সম্প্ৰদায়ৰ লৰাছোৱালী বোৰে সকলো ধৰণৰ সুবিধা পাব।

মেঘালয় আৰু মিজোৰাম অসমৰ পৰা বেলেগ হোৱাৰ পিছত ১৯৭১ চনৰ লোক গননা মতে অসমৰ জনসংখ্যা অনুযায়ী অসমৰ অনুসুচিত জাতি আৰু জনজাতি লোক সকলৰ চাকৰীৰ ক্ষেত্ৰত সংস্কৰণ কিমান হব সেই সম্পৰ্কীয় আঁচনি চৰকাৰৰ নিযুক্তি বিভাগে পৰীক্ষা কৰি চাই আছে আৰু আমি আশাকৰো জনসংখ্যাৰ ভিত্তিত যিমানখিনি সংস্কৰণ হব লাগে বা সুবিধা পাবলাগে সেইখিনি পাব।

মই আশাকৰিছো আমাৰ সদনৰ বন্ধু সকলে বিশেষকৈ আমাৰ অনুসুচিত জাতি অনুসুচিত জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ সদস্য সকলক লৈ আমাৰ এই তুটা চেক্তৰৰ কাৰণে যি উপদেষ্টা পৰিষদ আছে সেই উপদেষ্টা পৰিষদে বিষদ ভাবে আলোচনা কৰি কেনেকৈ এই তিনিটা সম্প্ৰদায়ৰ আৰ্থিক অৱস্থা সামাজিক অৱস্থা ভাল কৰা যায় সেই সম্পৰ্কে পৰামৰ্শ আগবঢ়াব আৰু সেই পৰামৰ্শ মতেই চৰকাৰে কাম কৰিব। —ধন্যবাদ।

শ্ৰীজগদীশ দাস : উপাধ্যক্ষ মহোদয়, মই এটা কথা সুধিব বিচাৰিছো, সেইটো হ'ল আমাৰ সুকীয়া সঞ্চালক হব লাগে বুলি দাবী তোলাৰ সময়ত কিয় প্লেনিং অফিচাৰ ৰাম হজৰীকাক চাকৰীৰ পৰা অব্যাহতি দিয়া হ'ল। এই মানুহ জনক ১৯৬৭ চনতে এপইন্টমেণ্ট দিয়া হৈছিল। মই জনাত ৰেগুলেশ্যন তিনি একত তেওঁক এপইণ্টমেণ্ট দিয়া হোৱা নাছিল কিয় ৫ বছৰ কাম কৰাৰ পাছত তেওঁক

কাম কাজ নোহোৱা হল। আজি অসম চৰকাৰে এনেকুৱা এটা ব্যৱস্থা লৈছে এই অনুসূচীত জাতিৰ ক্ষেত্ৰত। এই মানুহজনে ৫ বছৰ কাম কৰাৰ পাছত যদি তেওঁৰ চাকৰী যায় তেতিয়াহলে তেওঁৰ পৰিয়াল তথা ,তওঁৰ ঘৰখন কেনেকৈ চলিব ? এই বিষয়ে সকলোৱে বুজিব, মই নকলেও হব। মই আশা ৰাখিছো এই মানুহজনক পুনৰ নিযুক্তি দিয়াৰ ক্ষেত্ৰত যাতে চৰকাৰে নতুনকৈ চিন্তা কৰে আৰু পুনৰ যেন তেওঁৰ চাকৰীৰ ব্যৱস্থা কৰে। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো এই বিষয়ে কি ব্যৱস্থা লব খুজিছে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম : উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কে আমাৰ সদনত এটা তাৰাংকিত প্ৰশ্নও উঠিছিল কিন্তু প্ৰশ্নকৰ্ত্তাৰ অনুপস্থিতিৰ কাৰণে প্ৰশ্নটোৰ উত্তৰ দিয়াৰ আৱশ্যক নহল। আমাৰ ৰাম চন্দ্ৰ হাজৰিকা নামৰ লোক জনক ১৯৬৮ চনৰ ১২ জানুৱাৰী তাৰিখে সম্পূৰ্ণ অস্থায়ী ভাৱে প্লেনিং অফিচাৰ হিচাবে নিযুক্তি দিয়া হৈছিল। সেই নিযুক্তি সম্পূৰ্ণ অস্থায়ী আছিল আৰু কোনো কাৰণ নেদেখুৱাকৈ কামৰ পৰা আঁতৰাই দিয়াৰ চৰ্ত্ত আছিল আৰু যিহেতু দুই মাহে দুই মাহে তেওঁৰ এই পোষ্টটো এক্সটেন্স কৰি ৰখা হৈছিল। তেওঁক মাত্ৰ দুই মাহৰ কাৰণেহে নিযুক্তি দিয়া হৈছিল। মই আগতেই কৈছো, এটা সঞ্চালকালয় পৰিবৰ্ত্তে বেলেগ শাখা খুলি তাৰ প্লেনিং অফিচাৰ হিচাবে এটা পদ খুলিছিল। আৰু সেই পোষ্টৰ বাবে দৰমহা আছিল ৭৫০.০০ টকাৰ পৰা ১২৫০.০০ টকালৈ। কিন্তু বিশেষ কাৰণত সেই নিৰিখত দৰমহা নিদি ৪৫০.০০ টকা বেতন হিচাবে শ্ৰীৰাম চন্দ্ৰ হাজৰিকাক কামত নিয়োগ কৰা হৈছিল। এই পোষ্টটো যোৱা ১৯৬৮ চনৰ পৰা ১৯৭২ চনৰ জুলাইৰ পোন্ধৰ তাৰিখলৈ এই সময় ছোৱাত দুই মাহে তিনি মাহে এক্সেটেন্সন কৰি অহা হৈছে। কিয়নো যদি সাতশ পঞ্চাশ টকাৰ পৰা বাৰশ পঞ্চাশ টকালৈ দিয়া হিচাবে নিযুক্তি দিয়া হয় তেনেহলে লোকসেৱা আয়োগৰ অনুমোদন লাগে। সেই কাৰণে এই প্লেনিং অফিচাৰ পোষ্টটো আপাততঃ বন্ধ ৰাখি গ্ৰেড কমাই ৪৫০.০০ টকা বেতনত তেওঁক নিযুক্তি দিয়া হৈছিল। তেওঁ নিযুক্তি পোৱাৰ পিচত অসমত প্লেনিং এণ্ড ডেভেলাপমেন্ট ট্ৰেইনিং লৈছে আৰু তাৰ পিচত দিল্লীলৈ গৈ দুই মাহৰ কাৰণে সেই ধৰণে ট্ৰেইনিং লৈ আহে। তাৰ পিচত, তেওঁ সাতশ পঞ্চাশ টকাৰ পৰা বাৰশ পঞ্চাশ টকালৈ নিৰিখ দাবী কৰে আৰু তেওঁৰ দাবীত এইটো কথা কৈছিল যে আগৰ মুখ্যমন্ত্ৰীয়ে হেনো তেওঁক কৈছিল যে ট্ৰেইনিং লোৱাৰ পিচত সেই নিৰিখত কথা ভাৱি চাব।

মাননীয় উপাধ্যক্ষ ঃ মিনিষ্টাৰৰ ৰিপ্লাই চৰ্ট হ্ব লাগে ।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ঃ গোটেই কথাটো স্পষ্ট হোৱা উচিত বুলি বহলাই কৈছো। কিন্তু আমি কাগজে-পত্ৰে ৰেকৰ্ডে পত্ৰে তেনে কোনো আশ্বাস দিয়া দেখা নাই। তেতিয়া লোক সেৱা আয়োগৰ দ্বাৰা এই পদটো নিয়মাধীন কৰিবলৈ বুলি লোক সেৱা আয়োগৰ পৰা বিজ্ঞাপন কৰা হল । হাজৰিকাইও দৰ্খাস্ত কৰিছিল । কিন্তু তেওঁৰ দৰ্খাস্ত লোকসেৱা আয়োগে অনুমোদন নকৰিলে । সেই হিচাবে লোক সেৱা আয়োগৰ অনুমোদন প্ৰাপ্ত প্ৰাৰ্থী নিয়োগ কৰিবলৈ যাওঁতে ৰামচন্দ্ৰ হাজৰিকাক জুলাইৰ পোন্ধৰ তাৰিখৰ পৰা আঁতৰাব লগা হ'ল ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা গোটেই কথা বতৰাখিনি শুনিলো আৰু প্লেনি অফিচাৰক চাকৰি দিয়াৰ সম্পৰ্কত মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো কথাই জানিব বিচাৰিছো যে চৰকাৰে নীতি কৰি নীতি কিয় উলংঘা কৰে ? এটা চাকৰি যদি অস্থায়ী ভাৱে নিযুক্তি দিয়া হয় তেনেহলে ছয় মাহৰ ভিতৰতে লোকসেৱা আয়োগৰ পৰা অনুমোদন আনি নিয়মাধীন কৰিব লাগে । কিন্তু তাৰ ঠাইত পাচ বছৰ চাকৰি কৰিবলৈ দিলে দিল্লীৰ পৰা চৰকাৰী খৰচত প্ৰশিক্ষণ দিয়াইও আনিলে, ইয়াতো প্ৰশিক্ষণ দিয়ালে অথচ আকৌ কামৰ পৰা আঁতৰাই পঠিয়ালে । কিন্তু আইন মতে লোক সেৱা আয়োগৰ দ্বাৰা অনুমোদন কৰাই নিয়মাধীন কৰিব লাগিছিল, কিন্তু তাকে নকৰি কোন আইন মতে কোন নীতি মতে চৰকাৰী চাকৰিয়াল পৰিচালনা বিধি মতে নে আন কিবা নীতি মতে এই লোকজনক কামৰ পৰা আঁতৰাই পঠিয়ালে এই কথাটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো । মই জানো যে লোকসেৱা আয়োগে অনুমোদন কৰিলে নিয়মাধীন কৰিব নোৱাৰে, কিন্তু পাচ বছৰ কাম কৰাৰ পিচত কোৱাচি পাৰ্মেনেট হয়, তাতে আকৌ বাহিৰত প্ৰশিক্ষণ দিয়াৰ পিচত কেনেকৈ—কি যুক্তিত খেদালে ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) ঃ তেওঁৰ এই চাকৰিটো সম্পূৰ্ণ ৰূপে অস্থায়ী আছিল। আমাৰ অসমৰ নিযুক্তিৰ ক্ষেত্ৰত কোনো কোৱাচি পাৰ্মেনেন্টৰ প্ৰভিজন নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ঃ পাচ বছৰ কেনেকৈ অস্থায়ী হৈয়েই থাকিব পাৰে ? এইটো কেজুৱেল নিযুক্তি হিচাবে ৰখা হৈছিল নেকি ? যদি নহয় তেন্তে—It should be taken as permanent post as per Government rules. This is to be regularised as per rules.

পাচ বছৰ কামৰ পিচত কোৱাচি পাৰ্মেনেন্ট হোৱাত তেওঁক লোক সেৱা আয়োগৰ অনুমতি সাপেক্ষে নিয়মাধীন কৰিব লাগে, এইটো কিয় কৰা নহল ?

শ্ৰীৰমেশ মোহন কোলী : উপাধ্যক্ষ মহোদয়, ৰামচন্দ্ৰ হাজৰিকাৰ চাকৰিৰ ক্ষেত্ৰত বিভাগে লোকসেৱা আয়োগলৈ অনুমোদনৰ কাৰণে লিখিছিল নে নাই ? আৰু দ্বিতীয় কথা হৈছে সংবিধান মতে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু পিচপৰা সম্প্ৰদায়ৰ লোক, লোকসেৱা আয়োগৰ আগত হাজিৰ নহলেও হয় তেনে ক্ষেত্ৰত ৰাম হাজৰিকা লোক সেৱা আয়োগৰ ওচৰত হাজিৰ নহলেও তেওঁক নিয়মাধীন কৰিব লাগে। আকৌ অন্য কথা হল লোহিত লাহন বুলি এজন লোকক বিনা বেতনে তিনি বছৰ কাল ধৰি সময় বঢ়াই দিয়া হব' অনাৰেৰিয়াম দিয়া হব বুলি ৰাখি শেষত অলপতে বিদায় দিছে, ফলত এতিয়া প্লেনিং অফিচাৰ নাই, ডেপুটি চেক্ৰেটাৰি নাই, এইটো কি হৈছে মন্ত্ৰী মহোদয়ে জনাব বুলি আশা কৰো।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, এইটো চাকৰি সম্পূৰ্ণ ৰূপে অস্থায়ী, আৰু দুই মাহে দুই মাহে এক্সটেন্সন কৰি অহা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : উপাধ্যক্ষ মহোদয়, মই কৈছো যে এইটো এটা চৰকাৰী বিভাগ প্ৰাইভেট কোনো সংকায় আদি নহয়। প্ৰাইভেট সংকায় আদি হোৱা হলে বেলেগ কথা, এজন মানুহক পাচ বছৰ খটুৱালে অথচ পাচ বছৰৰ বাবে চেংচন হোৱা পদটো স্থায়ী নহল। কোনো আইন-কানুন নমনাকৈ কামৰ পৰা খেদাই দিলে। এতিয়া যদি কোৰ্টলৈ যা তেতিয়া চৰকাৰ বাচিব মোৱাৰে। এইটো বে-আইনী ভাৱে, ইচ্ছাকৃত ভাবে অৱশ্যে কিছুমান ভাল কামো নকৰা নহয়, কিন্তু সেই ভাল কাম ( vindictive ) ভিণ্ডিকটিভ এটিচিউড লৈ নষ্ট কৰি দিছে। কোন নিয়ম মতে, লোক সেৱা আয়োগ অথবা চৰকাৰী চাকৰিয়াল পৰিচালনা বিধি কোন আইন মতে পাচ বছৰ কাম কৰা লোকক নিয়মাধীন কৰা নাই ? আকৌ অৱৰ-সচিব জনক ( আণ্ডাৰ চেক্ৰেটাৰী ) পাচশ টকা দৰমহা দিম বুলি আজি তিনি বছৰ গৰু খটোৱাদি খটালে আৰু সিদিনা বাহিৰ কৰি দিছে 'গ্ৰেট আউট' বুলি কৈ। নিযুক্তি দিয়াৰ আগতে চৰকাৰে কিয় ভাবি নাচায় ? কোনেওটো চৰকাৰৰ ওচৰলৈ নিয়োগৰ কাৰণে যোৱা নাই, নিযুক্তি দিয়াৰ পিচত সেইটো চৰকাৰৰ দায়িত্ব, কোনেও চৰকাৰক জোৰ কৰা নাই নিযুক্তি দিয়াৰ কাৰণে, গতিকে নিযুক্তি দিয়াৰ পিচত অন্যায় ভাৱে খেদি দিয়াৰ দায়িত্ব চৰকাৰে ক'ত পালে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

Mr. Deputy Speaker : Next item Mr. Bijoy Krishna Handique.

Shri Bijoy Krishna Handique : Mr. Deputy Speaker,, Sir.

Under Rule 50 I raise a discussion on a matter of public importance. This concerns the fate of the local scientists, local technicians and local job Seekers who have been persistently wronged in a Government of India undertaking. This is Regional Research Laboratory of Jorhat. The people of Assam had high hopes when this national laboratory was established to process indigenous resources of the state through scientific research. They hoped that there would be avenues for local scientists to do research work, for local technicians to render assistance to this research and development work and for local youths to earn their bread in various small jobs of non technical nature. But unfortunately these hopes have been belied by the management of the Regional Research Laboratory. It has caused long accumulated resentment among the people of Assam. particularly among the people of Jorhat. It has caused demonstrations in and around the Laboratory, And newspapers have very often reported about such episodes and the injustices done to local people. I refer particularly to the news item published in the Assam Tribune of 28th June, 1972 on denial of 50 p.c. jobs to the local people. This House also heard an Hon'ble member Shrimati pranita Talukdar raising this point and the Chief Minister reply to this effect.

Mr. Deputy Speaker, Sir the situation is, however, far worse and more tragic so far as the appointment of local people and promotion of local employees are concerned. As it is not possible within this limited time to refer to all the cases, I shall place before the House only four cases which will adequately testify to the calculated

injustice and wrong done to the local employees and local job-seekers.

The Case No.1. This is the case of Shri Girish Chandra Bhattacharjee. M.Sc in Physics with special paper in X-Ray, a Senior Scientific Assistant in the X-Ray Division. He was interviewed by a Selection Committee under the Chairmanship of late Dr. R. K. Baruah, then Head of Department of Chemistry, Gauhati University held on 6th and 7th May, 1968 at the Birla Industrial & Technological Museum in Calcutta. The interview was for selection of Scientist B. The Committee selected Shri Bhattaeharyya and accordingly it was instructed to issue the appointment order. The appointment letter was ready and awaited the signature of the Director. Then the tragedy struck. Dr. Baruah who left immediately for Bombay after the interveiw died of coronary thrombosis in Calcutta on way back home from Bombay, And with misfortune for the whole of Assam, the fate of poor Shri Bhattacharjee was sealed, to taking advantage of the death of Dr. Baruah, the appointment letter of Shri Bhattacharyya has not yet been signed till today. I request the Hon'ble Chief Minister to call for the File consisting of thepro ceedings of the Selection Committee and examine its Repost No.16 ( 10/68 CMT signed by Late Dr. R.K. Baruah. The members of the Committee were ( 1 ) Dr. J. C. Ray, ( 2 ) Prof. G. Narasimhan, ( 3 ) Prof. S. Mukherjee, ( 4 ) Dr.S.K. Majumdar and ( 5 ) Dr. S.M, Iyengar. Director, Regional Research Laboratory, Jorhat As all these four members are from outside of Assam, there was none with Dr.R.K. Baruah in his eternsl sleep, to bear witness to this shameless piece of injustice done to a budding

local scientist. At present the matter is under investigation of the Vigilance Directorate of C.S.I.R. on repeated public complaints. It is interesting to observe that all the other candidates for the post of Scientist B with the exception of Shri Bhattacharjee were duly appointed according to the selection made by the same committee and all candidates are from outsido.

The case No. 2 This demonstrates the Director's motivated intervention in the scholarly pursuit of a local scientist working in the Laboratory. The victim in this case is Dr. D.N. Bordoloi. Dr. Bordoloi received the permission of Dr.B.N. Mitra, Director of R.R.L. in 1963 for registration in the Gauhati University for the degree of D. Phil for his thesis "Studies on the Biology of certain Tea attacking Fungi" under the guidance of Dr. H. K. Baruah, Prof. & Head of Deptt. of Botany, Gauhati University. Hewas also permitted by the same letter No. RA/1/2 ( 26 )/63/167, to usethe Regional Research Laboratory of Jorhat to carry out his investigations for his thesis as the National Laboratories are recognised institutions for research work. Dr. Mitra next year and Dr. Iyengar joined and with his entrace, things did not go well with Dr. Bordoloi. And his plan and ambition were in jeopardy. Dr. Bordoloi became aware of the modus operandi of the Director only when he formally sought permission to submit his thesis on the scheduled date prescribed by the University. After making some inquiries which was none of the business of the Director to make, he sprang a surprise on Dr. Bordoloi with a letter D. O. No. 2( 4 )/ 67—D informing him that he had the thesis already examined privately by a so—called expert. This

was done without the per mission of Dr. Bordoloi and Dr. H. K. Barua the only guide for the thesis. This is no doubt a great humiliation not only to Dr. Bordoloi but also the University of Gauhati. And disgustingly enough, the comments of that so — called expert were indecent sometime bordering on slangs and never behoves scientist if he is a scientist at all to, make. The Director instructed Dr. Bordoloi not to submit this thesis as according to him it was not upto the mark. After all the points raised by that so-called expert have been ably refuted by Dr. Bordoloi, Dr. Iyengar once more took the thesis for re-consideration which till now has not been returned even after repeated requests by Dr. Bordoloi. Not only this. Dr. Iyanger threatened to cancel the permission accorded to Dr. Bordoloi by his predecessor for submitting his thesis. In the meantime that expert, probably under conscience prick, laid bare the whole scheme of Dr. Iyengar which he himself called "a calculated move" in a letter to Dr. Bordoloi dated 30th October, 1967. As that expert is from Tocklai Experimental Station of Jorhat and the then Director of the Station, Mr. Laycock, was also associated with that private 'examination' of the thesis Dr. Bordoloi wrote to them personally challanging their comments on his thesis. The challange was purely on academic line. Sir, though it is a private matter between ascientist of R. R. L, and a few scientists of Tocklai Experimental Station, Dr. Iyengar by an office Memo No. Ra/ 1/2 (26) 61—ESH censored Dr. Bordoloi for breach of of conduct. The matter did not end there. Before the verdict of the Vice-President Council of Scientific and Indu-

strial Research, on the appeal made by Dr. Bordoloi against the censor administered by Dr. Iyengar, was available, Dr. Iyanger wreaked vengeance on Dr, Bordoloi by disqualifying him in the interview for the assessment. As truth always triumphs, the Director-General, Scientific and Industrial Research by the order No. 21/3/66—VIG, dated the 2nd July, 1971 set aside the penalty of censure imposed by the Director upon Dr. Bordoloi. In the meantime Dr. Bordoloi qualified himself for the Degree of Doctor of Philosophy of the Gauhati University.

This case clearly demonstrates the Director's hostile attitude towards our local scientists. His machination to impede Dr. Bordoloi in improving his career with a Doctorate degree is so designed as to keep him from rising in competition with persons who are from outside. I referred to motivated intervention' earlier. This is motivted intervention in the scholarly pursuit of our local scientists. But interestingly enough, out of 36 processes and 32 patents developed by the Regional Research Laboratory, as stated by the Director in the booklet under the title "Industrial Process, R. R. L, Jorhat" the contribution of local scientists are in 30 processes and 30 patents. Either the processes are developed by the local scientists independently or jointly with scientists who are not local. Yet the local scientists are subjected to ill—treatment and all sorts of harassment. The very reputation of the laboratory in the field of scientific reaearch is due to the honest and untiring effort of our local scientists. Sir, I can give another instance. A brilliant seientist named Shri Tilak Saikia who was responsible for developing many processes of this R. R. L. died

prematurely of heart attack. Do you know why? He was not granted medical leave even though he repeatedly asked for it and he died in harness.

The case No. 3 This is in contravention of the Government circular instructing the Government undertakings and private firms to reserve all jobs carrying a salary of Rs. 500/—and below. Sir, without advertising the situation and without informing the Employment Exchange, a wife of an Air Foree Offieer was appoin ted as a typist. She was not even put to the most preliminary test. This appointment was made on ad-hoc basis on 13th December, 1971 but it is still in force.

Sir, according to a statment showing the sanctioned posts in R. R. L. as on 1.5.72 there are vacancies as follows: 29 in the category of Scientists, 55 in the category of Technical and 19 in the administrative ministerial Class I, II & III & IV. It shows out of 389 sanctioned posts 103 posts are vacant. In spite of the unemployment situation these posts have been kept vacant deliberately. For the Director knows that if all the vacancies are advertised in a bulk, it will not be possible to deprive the local candidates on a large scale. So the policy seems to be recruiting personnels from outside quietly in a very diffuse way so as not to attract notice of the public.

The case No. 4 Mr. Deputy Speaker. Sir, This Case shows how a low paid job of a Khalasi in the grade IV was denied to a local man even after he has selected. Shri U. Barua was given one month's time after he was selected. He reported for duty on the 5th, 1965., The last date of joiniug was 17th March, that means 12 days earlier but even then he was not appointed and the post was given to somebody else.

In order to deprive the local candidates, there are instances where the C,S.I.R. bye-laws have been violated. According to the C.S.I.R. bye-laws, the Director is the Chairman of the Selection Committee for all posts in Class II. But he very often delegates this power to others in contravention of the bye-laws. This is a well laid move, if conspiracy is too strong a word, to avoid Jorhat as the venue for interview. For the Director in reply to one of the queries of the Employment Review Committee stated that the venue is selected according to the convenience of the Chairman of the Selection Committee. So, if the Director acts as the Chairman he has got to select Jorhat as the venue and the Director cannot avoid Jorhat as the venue in the plea of convenience of Chairman, which will be greatly convenient for the local candidates. So far as our information goes, only on two occasions the selection Committee met at Jorhat for interview of Class II posts. As I said on an earlier occasion in the House there is a move to exclude the Chief Ministers as envisaged in the Sarker Committee from the Executive Councils of the R.R.Ls in States where they are located. Till now the Chief Ministers are the Chairman of the Executive Councils. Our present Chief Minister has not yet been named as the Chairman. The move to exclude the Chief Ministers is designed to remove them from that exalted position of the abvious reason that the Chairman, if he asserts himself, can play a very effective role in policy making, This is undoubtedly detrimantal to the interest of the State. This is a deeply laid design contemplated at the top to curb the State Governments' control in the affairs of the Laboratories. Thus in its own State the Government

will find its wings clipped and those who are in the helm of affairs of the Laboratories will merrily go about their business overriding the claims of the local people in a cavalier way. Such designs to suppress the claims of the local people in employment must be resisted. I am, however, not concerned over how the Chief Ministers of the other states react to such a damaging recommendations. But it must be made clear to the CSIR and the Ministry concerned of the Union Ministry that Assam shall not accept such a position. But it is interesting to note what the Director of Jorhat RRL did in respect of this recommendation. This was only a recommendation. But in his over-enthusiastic zeal to keep the RRL under his thumb and to carry on his hostile operation against local employees and candidates unfettered, without waiting for the concurrence of the Union Finance Ministry he formed the Executive Council of which he became the Chairman himself with 2 coordinators of the Laboratory, 2 Director's nominees and the Administrative Officer. The Union Ministry of Finance, however, took exception to this and instructed the Director not to give effect to this decision. In fact there is no Executive Council of the RRL at the moment.

It is mysterious to observe that during 7 years 6 Administrative officers have been changed. The sixth one Mr. Banerjee is on the verge of going. His fault is that he fought hard for giving employment to the local people. Of late, the Director's wrath has fallen on him as he is suspected of passing on the inside story of the RRL to the public and the press. This poor fellow has been victimised for nothing. He has been relieved of all his power, duties and

